

# অন্বেষণ

দশম বছৰ ■ চতুৰ্থ সংখ্যা ■ মে', ২০২৩


## মকৰাৰ অভিনৱ জাল



## একুৱাপ'নিকছ



## ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা



## অপসৃয়মান দুৰ্গ


Floating Post office


Spotted lake of Okanagan


আন্তৰ্জাতিক মুদ্ৰানিধি


ভাৰতত চলা প্ৰথমখন ৰেল

# অন্বেষণ


## দশম বছৰ, চতুৰ্থ সংখ্যা, মে’, ২০২৩ চন

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com


## সূচীপত্ৰ


২ **মকৰাৰ অভিনৱ জাল**
■ অভিজিত শৰ্মা বৰুৱা

৪ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৪ **চিকিৎসাবিজ্ঞানৰ এক অভিনৱ আৱিষ্কাৰ— ‘এন্টিবায়’টিক’**
■ উদয়া ফুকন

১৬ **চন্দ্ৰকান্তা**
■ সুদীপ্তা চৌধুৰী

১৭ **অতীত—অন্য এক নতুন অধ্যায়**
■ উৎকলিকা ডেকা

১৯ **প্লাষ্টিক ভক্ষণকাৰী ৰবট মাছ**
■ কংকণা ডেকা

২০ **উত্তৰ গুৱাহাটীলৈ গৈছিলোঁ**
■ অভিৰূপ আকাশ শাণ্ডিল্য

২১ **আকাশ**
■ নিচান প্ৰতীম ভৰদ্বাজ

২১ **পঢ়াশালি**
■ আয়ুষ কুমাৰ দাস

২১ **মোৰ মৰমৰ পখিলা**
■ বৰষা পাঠক

২২ **পঢুৱৈৰ টোকা**
■ সাগৰিকা বৰ্মন

২৩ **মানৱাধিকাৰ**
■ অলকা গোস্বামী

২৪ **একুৱাপ’নিকছ**
■ সুজিৎ কুমাৰ নেওগ

২৬ **Did You Know**
■ Jyotirupa Das

২৭ **Stories from World Classics**
■ Bhaktimala Saikia

২৮ **দ্বাদশৰ পিছত ভূগোল : পৰিসৰ আৰু কেৰিয়াৰৰ সুযোগ**
■ জোনালী দেৱী

২৯ **চুড’কু**

৩০ **অসমৰ প্ৰাচীন শিলৰ সাঁকোসমূহ**
■ মৌচুমী দেৱী

৩১ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৩ **স্মৰণীয় সময়, স্মৰণীয় ঘটনা**
■ অপৰ্ণা দেৱী

৩৪ **ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা**
■ মানসী বৰুৱা

৩৫ **আন্তৰ্জাতিক মুদ্ৰানিধি**
■ নৱজিৎ বৰুৱা

৩৭ **কুইজ**
■ দীপাংকৰ কৌশিক

৩৮ **যাদুকৰী বাস্তৱবাদ**
■ নিশা দেৱী

৩৯ **ভাৰতবৰ্ষৰ খাদ্য-সুৰক্ষা আৰু মানক প্ৰাধিকৰণ**
■ ৰুণিমা শৰ্মা

৪০ **অপসৃয়মান দুৰ্গ—ঘৰ কুন্দৰ**
■ কল্যাণী পাটগিৰি




**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : পূৰবী ৰাণী বৰা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আহি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# মকৰাৰ অভিনৱ জাল

■ অভিজিত শৰ্মা বৰুৱা



মকৰা হ'ল সন্ধিপদী পৰ্বৰ অমেৰুদণ্ডী প্ৰাণী। এনে ধৰণৰ প্ৰাণী বহুত আছে। ইহঁতৰ সংখ্যা ইমানেই বেছি যে তাৰ সীমা-সংখ্যাৰ হিচাপ ৰখাটো সম্ভৱ নহয়। পাছে এই সকলোবোৰৰ ভিতৰত মকৰা আচৰিতভাৱে বিখ্যাত। ডাঙৰৰতো কথাই নাই, একেবাৰে সৰু ল'ৰা-ছোৱালীবোৰেও মকৰাক জানে, চিনি পায় আৰু বেছ ভয়ো কৰে। মকৰাক কেন্দ্ৰ কৰি সাহিত্য সৃষ্টি হৈছে, চলচ্চিত্ৰ নিৰ্মাণ হৈছে, কমিক সৃষ্টি হৈছে। 'মকৰা-মানুহ' শব্দটো আমাৰ আচহুৱা যেন লাগিব পাৰে, কিন্তু 'স্পাইডাৰমেন' (spiderman) একেবাৰে বিশ্ববিখ্যাত।

## মকৰা কিয় বিখ্যাত?

মকৰা ইমান প্ৰখ্যাত হোৱাৰ অৱশ্যে কাৰণো আছে। মকৰাৰ কিছুমান বিৰল বৈশিষ্ট্য আছে, যিবোৰ এনে ধৰণৰ আন প্ৰাণীৰ ক্ষেত্ৰত দেখা নাযায়। মকৰা দেখাত পতংগৰ দৰে হ'লেও পতংগৰ কিছু বৈশিষ্ট্য মকৰাৰ গাত নাই। পতংগৰ ঠেং ছখন হোৱাৰ বিপৰীতে মকৰাৰ ঠেং আঠখন। পতংগৰ দেহত তিনিটা সুস্পষ্ট ভাগ থকাৰ বিপৰীতে মকৰাৰ দেহটো দুভাগত বিভক্ত। মূৰ আৰু বুকু মিলি এটা অংশ আৰু উদৰ হ'ল আনটো অংশ। আকাৰ হিচাপে মকৰা বৰ ডাঙৰ নহয়। আটাইতকৈ ডাঙৰ প্ৰজাতিৰ মকৰাবোৰৰ দৈৰ্ঘ্য ১০ ছেণ্টিমিটাৰমান হয়। আটাইকেইখন ঠেঙৰ ভিতৰত মকৰাৰ আগ ঠেং দুখন বেছি দীঘল।

কিন্তু সকলো বৈশিষ্ট্যৰ ভিতৰত মকৰাৰ যিটো বৈশিষ্ট্যই ইয়াক অনন্য কৰি তুলিছে, সেয়া হ'ল মকৰাৰ সূতা তৈয়াৰ কৰি জাল গুঁঠিব পৰা ক্ষমতা আৰু দক্ষতা। এই সূতাৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছে। সেই সূক্ষ্ম সূতাডালৰে যে ইমান শক্তি থাকিব পাৰে সেয়া প্ৰায় ভাবিব নোৱৰা কথা। তেনেই ক্ষুদ্ৰ ব্যাসৰ হোৱা বাবেহে আমি তাক টানি ছিঙি দিব পাৰোঁ। যদি সেই সূতাডালৰ ব্যাস এডাল তীখাৰ তাঁৰৰ সমান হয়, তেন্তে সেইডাল ছিঙিবলৈ তীখাৰ তাঁৰডালৰ তুলনাত প্ৰায় এশগুণ বেছি বলৰ প্ৰয়োজন হ'ব। বিজ্ঞানীসকলে এতিয়ালৈকে সৃষ্টি কৰিব পৰা আটাইতকৈ কঠিন ছিন্থেটিক সূতাডালো মকৰাৰ সূতাৰ তুলনাত 'কেঁচুৱাৰ খেল'। আনহাতে মকৰাই তৈয়াৰ কৰা কিছুমান সূতা ইমান স্থিতিস্থাপক যে ই মূল দৈৰ্ঘ্যৰ দুগুণ পৰ্য্যন্ত দীঘল হ'ব পাৰে।

## মকৰাই কেনেকৈ সূতা তৈয়াৰ কৰে?

মকৰাৰ উদৰ অংশৰ শেষ প্ৰান্তত সূতাৰ বাবে প্ৰয়োজনীয় ৰস সৃষ্টিকাৰী এক গ্ৰন্থি থাকে। এই গ্ৰন্থিৰ লগত 'স্পিনাৰেট' নামৰ এক সূক্ষ্ম ছিদ্ৰযুক্ত অংশ সংযুক্ত হৈ থাকে। এই অংশৰ মাজেৰে গ্ৰন্থিৰ পৰা সূতা সৃষ্টিকাৰী জুলীয়া ৰস নিঃসৃত হয়। বতাহৰ সংস্পৰ্শলৈ আহিলে এই ৰসে কঠিন সূতাৰ ৰূপ লয়। মকৰাৰ কিছুমান সূতাত আঠা থাকে, কিছুমানত নাথাকে। যি কোনো বস্তু (চিলিং, কাঠৰ সামগ্ৰী আদি) সংযুক্ত কৰি মকৰাই সূতাৰে জাল গোঁঠে। বিভিন্ন প্ৰকাৰৰ মকৰাই বিভিন্ন আৰ্হিৰ জাল তৈয়াৰ কৰে। সাধাৰণতে মকৰাই ৰাতিহে জাল গোঁঠে। জাল তৈয়াৰ হোৱাৰ পাছত মকৰাটোৰে জালৰ কেন্দ্ৰত বা কোনোবা প্ৰান্তত নিঃসাৰ হৈ পৰি থাকে। কিবা চিকাৰ মকৰাৰ জালৰ কোনো স্থানত আবদ্ধ হ'লে মকৰাটো তালৈ গৈ তাৰ ওপৰেৰে

অধিক জাল গুঁঠি চিকাৰটোক নিজৰ নিয়ন্ত্ৰণলৈ আনে আৰু পাছত দেহৰ বিষ তাৰ শৰীৰত এৰি দি চিকাৰটোক হত্যা কৰে। মকৰা মাংসাহাৰী প্ৰাণী। জালৰ সহায়ত চিকাৰ ধৰি তাক খায়েই ইহঁত জীয়াই থাকে।

### মকৰাৰ সূতা প্ৰকৃততে কি?

মকৰাৰ সূতা প্ৰকৃততে কিছুমান প্ৰ'টিনৰ সমষ্টি। শাৰীৰিক শক্তি প্ৰয়োগ কৰি সিহঁতে এই প্ৰ'টিনবোৰক নিৰ্দিষ্ট ধৰণেৰে সজ্জিত কৰে আৰু জুলীয়া সূতা (যিবোৰ পাছত বায়ুৰ সংস্পৰ্শলৈ আহি কঠিন অৱস্থাপ্ৰাপ্ত হয়) তৈয়াৰ কৰে। এৰী, মুগা, পাট আদি পলুৰ পৰাও সূতা পাব পৰা যায় যদিও টেনছাইল (Tensile) শক্তি (টানি ছিঙিব নোৱৰা গুণ) আৰু স্বাভাৱিক স্থিতিস্থাপকতাৰ দিশৰ পৰা এনে ধৰণৰ সূতা মকৰাৰ সূতাতকৈ বহু নিম্ন মানৰ।

মকৰাৰ জালত আন প্ৰাণী লাগি ধৰিলেও মকৰা নিজে লাগি নধৰে। তাৰ কাৰণ হ'ল মকৰাৰ দেহ তৈলাক্ত আৰু এই তেলৰ বাবেই ই নিজৰ আঠালেতীয়া সূতাত লাগি নধৰে। তদুপৰি মকৰাই নিজে তৈয়াৰ কৰা জালখন চিনি পায় আৰু সাধাৰণতে এই জালৰ শুকান (য'ত আঠা নাথাকে) সূতাবোৰৰ ওপৰেদিহে অহা-যোৱা কৰে।

### মকৰাৰ সূতাৰ ৰহস্যৰ ভেদ

কিছু বছৰ আগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱমিং (Wyoming) বিশ্ববিদ্যালয়ৰ এক গৱেষক দলে মকৰাৰ অভিনৱ সূতা সৃষ্টিৰ ৰহস্য প্ৰথমবাৰৰ বাবে ভেদ কৰিবলৈ সক্ষম হৈছিল। কেনেকৈ বিচিত্ৰ ধৰণৰ প্ৰ'টিন সজ্জাই এই সূতা তৈয়াৰ কৰে, জিনক কেনে ধৰণে সজ্জিত কৰিলে এই বিশেষ প্ৰ'টিনবিধ তৈয়াৰ কৰিবলৈ জিনেটিক ক'ড বা নিৰ্দেশ পাব পৰা যায়, সেয়াও তেওঁলোকে জানিব পাৰিছিল। তেওঁলোকে বহুকেইটা প্ৰজাতিৰ মকৰাৰ জিনেটিক গঠন সম্পৰ্কত অধ্যয়ন চলাইছিল। গৱেষক দলটোৱে জনোৱা মতে মকৰাই ছবিধ বিভিন্ন ধৰণৰ সূতা প্ৰস্তুত কৰিব পাৰে। এনে ধৰণৰ জ্ঞানৰ সহায়ত বিজ্ঞানী-প্ৰযুক্তিবিদে ভৱিষ্যতে কৃত্ৰিম 'মকৰা-সূতা' তৈয়াৰ কৰিবলৈ সক্ষম হ'ব।

### কৃত্ৰিম মকৰা-সূতা ক'ত ব্যৱহাৰ কৰিব পৰা যাব?

'মকৰা-সূতা'ৰ কিছুমান অভিনৱ বৈচিত্ৰ্যৰ কথা আগতে কোৱা হৈছেই। এনে বৈচিত্ৰ্যবোৰৰ বাবে মকৰা-সূতাক বিভিন্ন কামত ব্যৱহাৰ কৰিব পৰা যাব। মকৰা-সূতাবোৰ অতিশয় পাতল, কিন্তু যথেষ্ট টান আৰু স্থিতিস্থাপকতা গুণসম্পন্ন হ'ব। এনে সূতা ব্যৱহাৰ কৰিবলৈ আগ্ৰহেৰে বৈ থকা ক্ষেত্ৰসমূহ হ'ল— চিকিৎসাবিজ্ঞান, পেৰাছুট তৈয়াৰ কৰা উদ্যোগ, বস্ত্ৰ উদ্যোগ, মৎস্য পালন, প্লাষ্টিক উদ্যোগ আদি। অতি ক্ষুদ্ৰ ছাৰ্জিকেল তন্ত্ত, ক্ষতস্থান ঢাকি ৰাখিব পৰা বেণ্ডেজ আৰু প্লাষ্টাৰ, কৃত্ৰিম লিগামেণ্ট আৰু টেণ্ডন, পেৰাছুটৰ ৰছী, সুৰক্ষামূলক কাপোৰ, ৰছী, মাছমৰীয়াৰ জাল, প্লাষ্টিকৰ পৰিৱৰ্ত সামগ্ৰী আদি তৈয়াৰ কৰাত এনে মকৰা-সূতাৰ ব্যৱহাৰ হ'ব অতি গুৰুত্বপূৰ্ণ। ❖

## তোমালোকৰ বাবে প্ৰশ্ন, মে' ২০২৩

১। ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্য্যালয় কোনখন চহৰত অৱস্থিত? ২। মহম্মদ চাহাবুদ্দিন—কোনখন দেশৰ ২২ সংখ্যক ৰাষ্ট্ৰপতি? ৩। ২০০৩ চনৰ বিশ্ব চেম্পিয়নশ্বিপত কোনগৰাকী লং জাম্পাৰে প্ৰথমগৰাকী ভাৰতীয় হিচাপে পদক জয় কৰিছিল? ৪। 'মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ' কিতাপখনৰ বাবে কোনগৰাকী অসমীয়াই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল? ৫। ২০২২ চনত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ অস্কাৰ বঁটা লাভ কৰিছিল CODA নামৰ ছবিখনে। এই CODAৰ সম্পূৰ্ণ ৰূপটো কি বাৰু? ❖

## বিশ্বৰ আটাইতকৈ জনবহুল দেশ ভাৰত

যোৱা ১৯ এপ্ৰিল তাৰিখে ৰাষ্ট্ৰসংঘই ভাৰতবৰ্ষ বিশ্বৰ আটাইতকৈ জনবহুল দেশ বুলি ঘোষণা কৰে। ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা তথ্য অনুসৰি ভাৰতে চীন দেশক চেৰ পেলাই বিশ্বৰ আটাইতকৈ জনবহুল দেশত পৰিণত হয়। ৰাষ্ট্ৰসংঘৰ তথ্য অনুসৰি ভাৰতৰ বৰ্তমান জনসংখ্যা ১৪২.৮৬ কোটি হোৱাৰ বিপৰীতে চীনৰ জনসংখ্যা হৈছে ১৪২.৫৭ কোটি। ১৯৫০ চনত ৰাষ্ট্ৰসংঘই বিশ্বৰ দেশসমূহৰ জনসংখ্যাৰ তথ্য সংগ্ৰহ কৰা আৰম্ভ কৰিছিল আৰু তাৰ পৰৱৰ্তী সময়ত ভাৰত প্ৰথমবাৰৰ বাবে বিশ্বৰ আটাইতকৈ জনবহুল দেশ হিচাপে পৰিগণিত হয়। ২০২১ চনত ভাৰতত লোকপিয়ল অনুষ্ঠিত হোৱা নাছিল যদিও ৰাষ্ট্ৰসংঘৰ তথ্য অনুসৰি ভাৰতৰ জনসংখ্যাৰ এক-চতুৰ্থাংশ লোক ১৪ বছৰৰ তলৰ। ১৫ৰ পৰা ৬৪ বছৰৰ ভিতৰৰ লোকৰ হাৰ ৬৮ শতাংশ হোৱাৰ লগতে ৬৫ বছৰৰ ওপৰৰ লোকৰ হাৰ ৭ শতাংশহে। বিশ্বৰ বিভিন্ন সংস্থাৰ সমীক্ষা অনুসৰি অহা তিনি দশকলৈ ভাৰতৰ জনসংখ্যা বৃদ্ধি পাই থাকিব আৰু ই ১৫৬ কোটিলৈ বৃদ্ধি পোৱাৰ পাছত হ্ৰাস হোৱাৰ দিশে গতি কৰিব।

## বৰদলৈ ট্ৰফীত অইল ইণ্ডিয়া চেম্পিয়ন




যোৱা ৪ এপ্ৰিল তাৰিখে অনুষ্ঠিত ৭১ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলত পঞ্চমবাৰৰ বাবে অইল ইণ্ডিয়াই চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। গুৱাহাটী নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেল খেলখনত অইল ইণ্ডিয়া দলে ইউনাইটেড চিৰাং দুৱাৰ এফ চিক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ হস্তগত কৰে। উল্লেখযোগ্য যে অইল ইণ্ডিয়া দলে ইয়াৰ পূৰ্বে ক্ৰমে ১৯৯০, ২০০৮, ২০২১ আৰু ২০১৯ চনত চেম্পিয়নৰ খিতাপ দখল কৰিছিল। ফাইনেল খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে অইল ইণ্ডিয়া দলৰ আকৰাং নাৰ্জাৰীয়ে আৰু শ্ৰেষ্ঠ গ'লৰক্ষকৰ বঁটা একেটা দলৰে অবিনাশ মেচে লাভ কৰে। প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা একেটা দলৰে মিলন বসুমতাৰীয়ে লাভ কৰিবলৈ সক্ষম হয়। ১৯৫২ চনত আৰম্ভ হোৱা বৰদলৈ ট্ৰফী প্ৰতিযোগিতাত এই বৰ্ষত ৮টা দলে অংশগ্ৰহণ কৰিছিল আৰু মোহন বাগান দলে সৰ্বাধিক ৭ বাৰ চেম্পিয়নৰ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছিল।

## গৌহাটী উচ্চ ন্যায়ালয়ৰ মহাৰজত জয়ন্তী



যোৱা ৫ এপ্ৰিল তাৰিখে গৌহাটী উচ্চ ন্যায়ালয়ে ৭৫ বছৰ সম্পূৰ্ণ কৰি মহাৰজত জয়ন্তী পালনৰ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। ১৯৪৮ চনৰ ৫ এপ্ৰিলত প্ৰতিষ্ঠা হোৱা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন উচ্চ ন্যায়ালয়ৰ মহাৰজত জয়ন্তী পালনৰ কাৰ্য্যসূচী ৫ এপ্ৰিলৰ পৰা ১৪ এপ্ৰিললৈ বৰ্ণাঢ্য কাৰ্য্যসূচীৰে পালন কৰা হয়। মহাৰজত জয়ন্তীৰ বিভিন্ন কাৰ্য্যসূচীত দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, অসমৰ মুখ্যমন্ত্ৰী, ৰাজ্যপালকে ধৰি দেশৰ কেইবাজনো বিশিষ্ট আইনজীৱীয়ে অংশগ্ৰহণ কৰে। ১৯৪৭ চনৰ ৯ ছেপ্টেম্বৰত অসম বিধানসভাই গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি সেই সময়ৰ ৰাজ্যৰ ৰাজধানী শ্বিলঙত ১৯৪৮ চনৰ ৫ এপ্ৰিলত 'অসম উচ্চ ন্যায়ালয়' স্থাপন কৰা হয়। ১৯৪৮ চনৰ ১৪ আগষ্টত উচ্চ ন্যায়ালয়খন গুৱাহাটীলৈ স্থানান্তৰ কৰা হয় আৰু ১৯৭১

চনত উচ্চ ন্যায়ালয়খন ‘গৌহাটী উচ্চ ন্যায়ালয়’ (Gauhati High Court) নামেৰে নামকৰণ কৰা হয়। ১৯৭১ চনত গৌহাটী উচ্চ ন্যায়ালয়ৰ অধিকাৰ ক্ষেত্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে প্ৰযোজ্য আছিল যদিও ২০১৩ চনত মণিপুৰ, মেঘালয়, ত্ৰিপুৰা ৰাজ্যত পৃথক উচ্চ ন্যায়ালয় স্থাপন কৰা হয়।

## নতুন মুখ্য তথ্য আয়ুক্ত ভাস্কৰজ্যোতি মহন্ত



যোৱা ৫ এপ্ৰিল তাৰিখে অসমৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই ৰাজ্যখনৰ মুখ্য তথ্য আয়ুক্ত (চিআইচি) হিচাপে শপত গ্ৰহণ কৰে। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই ৰাজভৱনত অৱসৰপ্ৰাপ্ত আইপিএছ বিষয়াগৰাকীক চৰকাৰী বিষয়াসকলৰ উপস্থিতিত শপত বাক্য পাঠ কৰোৱায়। তেওঁ ১৯৮৮ বেটচ্ৰ অসম-মেঘালয় কেডাৰৰ আইপিএছ বিষয়া। বিশিষ্ট সাংবাদিক সমুদ্ৰগুপ্ত কাশ্যপে বৰ্তমান ৰাজ্যিক তথ্য আয়ুক্ত হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে।

## এইম্‌ছ, গুৱাহাটী উদ্বোধন

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ১৪ এপ্ৰিল তাৰিখে গুৱাহাটীৰ চাংসাৰিত নিৰ্মিত ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (AIMS)খন উদ্বোধন কৰে। এইম্‌ছৰ লগতে প্ৰধান মন্ত্ৰীগৰাকীয়ে নলবাৰী, নগাঁও আৰু কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ো একেদিনাই ৰাষ্ট্ৰৰ নামত উছৰ্গা কৰে। এই উপলক্ষে চাংসাৰিস্থিত এইম্‌ছ ফুটবল খেলপথাৰত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোডীয়ে এইম্‌ছ, গুৱাহাটী আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে আইআইটি, গুৱাহাটীৰ সহযোগত উন্নত গৱেষণাৰ বাবে ৫০০খন বিছনাযুক্ত ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ আধাৰশিলা স্থাপন কৰে। ১,১২০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত গুৱাহাটী এইম্‌ছত ৩০ খন আয়ুস বিছনাসহ ৭৫০ খন বিছনাযুক্ত হ’ব আৰু এই অত্যাধুনিক চিকিৎসালয়খনত প্ৰতি বছৰে ১০০ গৰাকী এমবিবিএছ শিক্ষাৰ্থীয়ে শিক্ষাগ্ৰহণ কৰিব।

## ইণ্ডিয়ান গ্ৰাঁ প্ৰীত অম্লানৰ ইতিহাস



বেংগালুৰুৰ কান্তিৰঙা ষ্টেডিয়ামত অনুষ্ঠিত ইণ্ডিয়ান গ্ৰাঁ প্ৰীৰ চতুৰ্থ সংস্কৰণত অসমৰ অম্লান বৰগোহাঁয়ে দুৰ্দান্ত প্ৰদৰ্শনেৰে ইতিহাস ৰচনা কৰে। ১০ এপ্ৰিলত অনুষ্ঠিত তৃতীয় সংস্কৰণত ১০০ আৰু ২০০ মিটাৰ দৌৰত স্বৰ্ণ পদক বিজয়ী অম্লানে চতুৰ্থ সংস্কৰণতো ১০০ মিটাৰ দৌৰত মালদ্বীপৰ হাছান ছয়ীদক পৰাজিত কৰি স্বৰ্ণ পদক দখল কৰে। ১০.৫৩ ছেকেণ্ডত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা অম্লানে ২০০ মিটাৰ দৌৰতো ২০.৭৮ ছেকেণ্ডেৰে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি স্বৰ্ণপদক জয়লাভ কৰে। ৰাষ্ট্ৰীয় অভিলেখৰ অধিকাৰী অম্লানে যোৱা বৰ্ষত ফেডাৰেছন কাপ এথলেটিকছত ২০০ মিটাৰত ২০.৫২ ছেকেণ্ডেৰে এই অভিলেখ স্থাপন কৰিছিল।

## ড° জয়ন্তী চুতীয়ালৈ সতী সাধনী বঁটা



বিশিষ্ট বিজ্ঞানী ড° জয়ন্তী চুতীয়াক অসম চৰকাৰে যোৱা ২০ এপ্ৰিল তাৰিখে ২০২৩ বৰ্ষৰ ‘সতী সাধনী বঁটা’ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে মধ্যযুগৰ অসমৰ অদ্বিতীয় বীৰাংগনা সতী সাধনীৰ নামত প্ৰতি তিনি বছৰৰ মূৰে মূৰে এগৰাকী বিশিষ্ট ব্যক্তিক এই ৰাজ্যিক বঁটা প্ৰদান কৰি আহিছে। বিশিষ্ট বিজ্ঞানী ড° জয়ন্তী চুতীয়াৰ গৱেষণামূলক অধ্যয়নে দেশে-বিদেশে বিশেষ খ্যাতি অৰ্জন কৰাৰ স্বীকৃতি স্বৰূপে তেওঁক এই বৰ্ষৰ ‘সতী সাধনী বঁটা’ৰ বাবে নিৰ্বাচিত কৰা হৈছে। এগৰাকী জনপ্ৰিয় বিজ্ঞান লেখক হিচাপেও সুপ্ৰতিষ্ঠিত ড° চুতীয়াই ২২খনকৈ বিজ্ঞান বিষয়ক গ্ৰন্থ

ৰচনাৰ লগতে ১৪০খন গৱেষণা-পত্ৰ প্ৰকাশ কৰি উলিয়াইছে। আইএএছ্‌এছ্‌টিৰ সঞ্চালক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা ড° চুতীয়াই নিজৰ মেধা, অধ্যয়ন আৰু গৱেষণাৰ যোগেদি দেশলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিজ্ঞান বিষয়ক গ্ৰন্থৰ বাবে তেওঁ অসম সাহিত্য সভাৰ 'কমল কুমাৰী বঁটা' তথা 'বাসন্তী বৰদলৈ বঁটা' লাভ কৰাৰ লগতে মাদাৰ টেৰেছা বিশ্ববিদ্যালয়ৰ বঁটাও লাভ কৰিছে।

## আমেৰিকা যুক্তৰাজ্যৰ স্বাস্থ্য গৱেষণা সংস্থাৰ উপদেষ্টাৰূপে নিযুক্ত ড° ৰূপম শৰ্মা



যোৱা ১০ এপ্ৰিল তাৰিখে অসমৰ ড° ৰূপম শৰ্মাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনে গঠন কৰা 'স্বাস্থ্য গৱেষণা সংস্থা'ৰ জ্যেষ্ঠ উপদেষ্টা তথা মুখ্য তথ্য বিষয়া হিচাপে শপত গ্ৰহণ কৰে। দেশখনৰ ৰাজধানী ৱাশ্বিংটন ডিচিত শপত গ্ৰহণ কৰা ড° শৰ্মাই ১৪ এপ্ৰিলত আনুষ্ঠিকভাৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি ভৱন 'হোৱাইট হাউছ'ত কাৰ্য্যভাৰ গ্ৰহণ কৰে। ৰাষ্ট্ৰপতি বাইডেনে গঠন কৰা 'এডভান্স ৰিছাৰ্চ প্ৰজেক্টছ এজেন্সি ফৰ হেল্‌থ' নামৰ এই অত্যাধুনিক গৱেষণা সংস্থাটোৱে কেন্সাৰ, এলজেইমাৰ, ডায়েবেটিছ আদি ৰোগ নিৰ্মূলৰ হকে প্ৰণালীবদ্ধভাৱে কাম কৰিব। যোৰহাট নিবাসী তথা অসমীয়া মাধ্যমত অধ্যয়ন কৰা ড° শৰ্মাই যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লৈ আমেৰিকা যুক্তৰাষ্ট্ৰত পৰিকলন বিজ্ঞান আৰু ব্যৱস্থাপনা বিষয়ত পৃথকে পৃথকে স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল। কৃত্ৰিম বুদ্ধিমত্তা আৰু অটিজিমৰ বিষয়ে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা ড° শৰ্মাই কেইবাখনো চুটি ছবি নিৰ্মাণ কৰি দেশ-বিদেশত কেইবাটাও বঁটা লাভ কৰি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ইনছাৰ্চ অব গড (২০১১), সাগৰ কিনাৰে (২০১৪) আৰু ৰান লিটল ফিংগাৰ (২০১৯) হৈছে তেওঁৰ তিনিখন পুৰস্কাৰপ্ৰাপ্ত জনপ্ৰিয় চুটি ছবি। হাজাৰ হাজাৰ বিজ্ঞানীৰ ভোটৰ ভিত্তিত হোৱাইট হাউছৰ প্ৰথমগৰাকী ইন'ভেছন ফেল' হিচাপে নিৰ্বাচিত ড° শৰ্মা যোৰহাট ৰাজমৈদাম নিউ ক'লনীৰ প্ৰয়াত বলীনাৰায়ণ শৰ্মা আৰু ৰুণু শৰ্মাৰ পুত্ৰ।

## চুডানৰ গৃহযুদ্ধ

যোৱা ১৫ এপ্ৰিল তাৰিখে আফ্ৰিকাৰ অতি দুখীয়া দেশ চুডানত দুটা পক্ষৰ মাজত আৰম্ভ হোৱা গৃহযুদ্ধই দেশখনৰ জনজীৱন স্তব্ধ কৰি তোলে। চাহাৰা মৰুভূমি অঞ্চলত অৱস্থিত তথা দেশখনৰ শতকৰা ৪০ ভাগ লোক খাদ্যহীনতাত ভুগি থকা অৱস্থাতে খাদ্যসামগ্ৰীৰ অত্যধিক দাম বৃদ্ধি হৈছে গৃহযুদ্ধৰ মূল কাৰণ। দেশখনত গৃহযুদ্ধত লিপ্ত পক্ষ দুটা হৈছে সেনাবাহিনী আৰু ৰেপিড চাপ'ৰ্ট ফৰ্চেছ (RSF)। উল্লেখযোগ্য যে এই দুটা পক্ষই ২০১৯ চনত প্ৰায় তিনি দশক দেশ শাসন কৰা ৰাষ্ট্ৰপতি ওমৰ এল বাছিৰক পদচ্যুত কৰি শাসন হস্তগত কৰিছিল। ৰাষ্ট্ৰপতি ওমৰ এল বাছিৰৰ শাসন কালত চুডান উত্তৰ আৰু দক্ষিণ, এই দুভাগত বিভক্ত হয়। কিন্তু ২০২১ চনত এক আকস্মিক সামৰিক অভ্যুত্থানৰ জৰিয়তে সেনাবাহিনীয়ে জেনেৰেল অবদেল বুৰহানৰ নেতৃত্বত একপক্ষীয়ভাৱে ক্ষমতা হস্তগত কৰে। ৪.৬ কোটি জনসংখ্যাৰ দেশ চুডানৰ ৰাজধানী খাৰ্টুমত দুয়োটা পক্ষ সংঘৰ্ষত লিপ্ত হয় আৰু শ শ নিৰীহ লোক মৃত্যুমুখত পৰে। এই গৃহযুদ্ধৰ ফলস্বৰূপে চুডানৰ লাখ লাখ লোক দেশৰ পৰা পলায়ন কৰে আৰু দুই হাজাৰ প্ৰবাসী ভাৰতীয়ক নিজ দেশলৈ স্থানান্তৰিত কৰা হয়। দেশখনত শেহতীয়াকৈ শান্তি স্থাপনৰ হকে সামৰিক বাহিনীৰ জেনেৰেল অবদেল বুৰহানক ৰাষ্ট্ৰপতি আৰু অসামৰিক নেতা এবদলা হেমডক প্ৰধানমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ মার্চ, ২০২৩ৰ পৰা ২০ এপ্রিল, ২০২৩লৈ)**

২১ **মার্চ** : ৰামনাথ ভট্টাচাৰ্য্য ফাউণ্ডেছন লিটাৰেৰী এৱাৰ্ড, ২০২২ বিশিষ্ট অসমীয়া কবি ৰবীন্দ্ৰ সৰকাৰলৈ আগ বঢ়োৱা হয়।

২৩ **মার্চ** : চুৰাটৰ এখন নিম্ন আদালতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক দোষী সাব্যস্ত কৰে আৰু তেওঁৰ সাংসদ পদ খাৰিজ কৰে।

- দেশৰ ৯খন ৰাজ্যই চিবিআইলৈ আগতে দিয়া সাধাৰণ সন্মতি প্ৰত্যাহাৰ কৰে।

২৪ **মার্চ** : এৰিক গাৰছেটিক মাৰ্কিন যুক্তৰাষ্ট্ৰই ভাৰতত ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়ে।

২৫ **মার্চ** : বিশ্ব মহিলা বক্সিং প্ৰতিযোগিতাত ভাৰতৰ নীতু ঘাংহাস আৰু ছাবিটী বুৰাই ৪৮ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰে।

- অসমৰ ৮খন জিলাত সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন (আফস্পা) প্ৰত্যাহাৰ কৰা বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

২৭ **মার্চ** : অসমৰ বিধানসভা আৰু লোকসভাৰ সমষ্টি পুৰ্ননিৰ্দ্ধাৰণৰ বাবে ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত গুৱাহাটীলৈ আহি ৬৫টা সংগঠনৰ লগত আলোচনাত মিলিত হয়।

২৮ **মার্চ** : কেন্দ্ৰীয় চৰকাৰে পেন কাৰ্ডৰ লগত আধাৰ কাৰ্ডৰ সংযোগৰ চৰমসীমা ৩০ জুনলৈ বৃদ্ধি কৰে।

২৯ **মার্চ** : অসমৰ জাগীৰোডকে ধৰি দেশত ৮ খন নতুন নগৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৮০০০ কোটি টকা ধাৰ্য্য কৰে।

৩০ **মার্চ** : ভাৰতৰ বজাৰ গৱেষণা সংস্থাই প্ৰকাশ কৰা তথ্য অনুসৰি অসমে ৰাজনৈতিক আৰু ব্যাৱসায়িক স্থিৰতা সূচকাংকত দেশৰ ২৮খন ৰাজ্যৰ ভিতৰত ২৬ সংখ্যক স্থান লাভ কৰে।

৩১ **মার্চ** : ইংলণ্ডৰ ডাৰহাম বিশ্ববিদ্যালয়ৰ গৱেষকৰ দলে তিনি হাজাৰ কোটি সূৰ্য্যসম বৃহৎ কৃষ্ণ গহ্বৰ আৱিষ্কাৰ কৰে।

১ **এপ্রিল** : ৰাছিয়া ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অধ্যক্ষ পদত অধিষ্ঠিত হয়।

৩ **এপ্রিল** : ক্ৰিষ্টিনা ক'চ চন্দ্ৰলৈ যোৱা বিশ্বৰ প্ৰথমগৰাকী মহিলা মহাকাশচাৰী হ'ব বুলি নাছাই ঘোষণা কৰে।

৪ **এপ্রিল** : ইটালীত ইংৰাজী ভাষা নিষিদ্ধ কৰিবলৈ ইটালীৰ প্ৰধানমন্ত্ৰী মেলনিয়ে সংসদত বিধেয়ক উত্থাপন কৰে।

- আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক উৎকোচ কেলেংকাৰী গোচৰত গ্ৰেপ্তাৰ কৰা হয়।

৫ **এপ্রিল** : বিশ্বৰ ধনাঢ্যৰ তালিকাত ভাৰতৰ মুকেশ আম্বানিয়ে ৮৩.৪ বিলিয়ন মাৰ্কিন ডলাৰেৰে নৱম স্থান অধিকাৰ কৰে।

- নিউজিলেণ্ডৰ কিম কটনে আন্তঃৰাষ্ট্ৰীয় এদিনীয়া পুৰুষ ক্ৰিকেট খেলত বিশ্বৰ প্ৰথমগৰাকী মহিলা আম্পায়াৰ হিচাপে দায়িত্ব পালন কৰি অভিলেখ স্থাপন কৰে।

১০ **এপ্রিল** : ভাৰতৰ নিৰ্বাচন আয়োগে আম আদমী পাৰ্টিক (আপ) ৰাষ্ট্ৰীয় দলৰ স্বীকৃতি প্ৰদান কৰে।

১২ **এপ্রিল** : ভাৰতবৰ্ষ পৰবৰ্তী ৪ বছৰৰ বাবে ৰাষ্ট্ৰসংঘৰ পৰিসংখ্যা আয়োগলৈ নিৰ্বাচিত হয়।

১৪ **এপ্রিল** : গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ১১,৩০৪ গৰাকী বিহুৱতী আৰু ২৫৪৮ গৰাকী ঢুলীয়া আৰু বিহুৱাই একেলগে একে ঠাইতে বিহু মাৰি গীনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হয়।

১৮ **এপ্রিল** : প্ৰধানমন্ত্ৰীৰ ফচল বীমা যোজনা আঁচনি ৰূপায়ণত অসমে দেশৰ ভিতৰত শ্ৰেষ্ঠ স্থান অধিকাৰ কৰে।

২০ **এপ্রিল** : সীমা বিবাদ অন্ত পেলাবলৈ অসম আৰু অৰুণাচলৰ মাজত কেন্দ্ৰীয় চৰকাৰৰ মধ্যস্থতাত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।


- ৰাছিয়াৰ 'দি চেলেঞ্জ' নামৰ মহাকাশত দৃশ্যগ্ৰহণ কৰা বিশ্বৰ প্ৰথমখন চলচ্চিত্ৰৰ মস্কোত শুভমুক্তি হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# ৰূপা নামৰ হাতীজনী




আজি তোমালোকক এটা নতুন কাহিনী ক'বলৈ ওলাইছোঁ। কাহিনীটো ৰূপা নামৰ হাতী এজনীৰ। এই হাতীজনী চিৰিয়াখানাত থাকে। প্ৰতি দেওবাৰে এই ৰূপাৰ পিঠিত উঠি সৰু সৰু ল'ৰা-ছোৱালীবোৰে চিৰিয়াখানাৰ অন্য জন্তুবোৰ চাবলৈ যায়। সেই চিৰিয়াখানাতে চিঁচি নামৰ এজনী মৰম লগা অকণমানি চৰায়ো আছিল। চিৰিয়াখানাৰ আটাইবোৰ জন্তুকে তাই চিনি পাইছিল। আটাইবোৰ জন্তুৰ ভিতৰত তাইৰ আটাইতকৈ মৰমৰ জন্তু আছিল ৰূপা নামৰ হাতীজনী। চিঁচিয়ে ৰূপাৰ পিঠিত উঠি মাজে মাজে চিৰিয়াখানাৰ জন্তুবোৰ চাবলৈও গৈছিল। এদিন পুৱা চিঁচি ৰূপাৰ ওচৰলৈ গৈ দেখে যে ৰূপাই হুকহুকাই কান্দি আছে। চিঁচিৰ মনটো বৰ বেয়া লাগিল আৰু ৰূপাই কিয় কান্দিছে জানিবলৈ বিচাৰিলে। তেতিয়া ৰূপাই ক'লে যে চিৰিয়াখানাৰ আটাইবোৰ জন্তুৰ ভিতৰত তায়েই আপচু। কাৰণ তাইৰ গাৰ ৰং গোমা-ধোঁৱাবৰণীয়া। চিৰিয়াখানাৰ বাকীবোৰ জন্তু যিদৰে উজ্জ্বল ৰঙৰ, ৰংচঙীয়া তাৰ বিপৰীতে তাইহে অলপো ধুনীয়া নহয়।

চিঁচিয়ে ৰূপাক সান্ত্বনা দি ক'লে, "মই তোমাক ধুনীয়া, ৰংচঙীয়া কৰাৰ উপায় এটা নিশ্চয় বিচাৰি উলিয়াম।" চিঁচিয়ে লগে লগে বাঘৰ ওচৰলৈ গৈ ৰূপাৰ দুখৰ কথা কৈ বাঘৰ ধুনীয়া উজ্জ্বল আঁচবোৰ ৰূপাৰ বাবে ধাৰলৈ বিচাৰিলে। তাৰ পাছত চিঁচিয়ে নাহৰফুটুকীৰ ওচৰলৈ গৈ নাহৰফুটুকীৰ উজ্জ্বল তিৰবিৰীয়া ফুটবোৰ ধাৰলৈ বিচাৰিলে। আটাইবোৰ জন্তুৱে নিজৰ নিজৰ গাৰ ৰংবোৰ ৰূপাৰ গাত ঘঁহি দিলে। ৰূপাৰ শুঁৰডালতো তিৰবিৰীয়া নীলা, বেঙুনীয়া ৰংবোৰ সানি দিলে। নিজকে ৰংচঙীয়া ৰূপত দেখি ৰূপা বৰ উৎফুল্লিত হ'ল। কিন্তু পিছদিনা ৰূপাৰ সলনি ৰংচঙীয়া হাতীটো দেখি চিৰিয়াখানালৈ অহা ল'ৰা-ছোৱালীবোৰে ভয়হে খালে। আপচু ৰাক্ষস বুলি ভয় খাই সৰু ল'ৰা-ছোৱালীবোৰে কান্দি পেলালে। আগৰ ৰূপাজনী লাগে বুলি ল'ৰা-ছোৱালীহঁতে চিঞৰ-বাখৰ কৰাত ৰূপাই অসহায় অনুভৱ কৰিলে। তাই ততালিকে বুদ্ধি এটা সাজি উলিয়ালে। তাই তৎক্ষণাৎ গৈ ভেঁটফুল ফুলি থকা পুখুৰী এটাত নামি শুঁৰডালেৰে গোটেই গালৈ পানী মাৰি ৰংবোৰ ধুই পেলালে। পানীৰ পৰা ওলাই আহিল ল'ৰা-ছোৱালীহঁতৰ প্ৰিয়, নিচেই সাধাৰণ, ধোঁৱাবৰণীয়া হাতীজনী। ল'ৰা-ছোৱালীহঁতে আনন্দত কিৰীলিয়াই উঠিল। এই কাহিনীটো মিকি পেটেলে ইংৰাজীত লিখা Rupa : The Elephant নামৰ কিতাপখনৰ পৰা লোৱা হৈছে। কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে বীনু শৰ্মাই। ❖

# ভাৰতত প্ৰথম ৰেল চলাচল



১৮৫৩ চনৰ ১৬ এপ্ৰিলত আনুষ্ঠানিকভাৱে ভাৰতৰ প্ৰথমখন ৰেলগাড়ীয়ে ১৪টা দবাত ৪০০ যাত্ৰী কঢ়িয়াই বোম্বাইৰ (মুম্বাই) পৰা থানেলৈ যাত্ৰা আৰম্ভ কৰে। একৈছটা টোপধ্বনি আৰু জনতাৰ হৰ্ষোল্লাসৰ মাজত ৰেলখনে বিয়লি ৩:৩০ বজাত যাত্ৰা আৰম্ভ কৰি এঘণ্টা পোন্ধৰ মিনিটৰ পাছত ৪:৪৫ বজাত থানেত উপস্থিত হয়। এই যাত্ৰাৰ দূৰত্ব আছিল প্ৰায় ৩৪ কিল'মিটাৰ। ৰেল যাত্ৰাৰ শুভাৰম্ভণি অনুষ্ঠান উপভোগৰ উদ্দেশ্যে সেইদিনা মুম্বাইত চৰকাৰী বন্ধ ঘোষণা কৰা হৈছিল।

ভাৰতত প্ৰথম ৰেল চলোৱাৰ কৃতিত্ব লাভ কৰিছিল ১৮৪৯ চনত গঠিত গ্ৰেট ইণ্ডিয়ান পেনিনচুলা ৰেলৱে কোম্পানীয়ে (চমুকৈ জিআইপি ৰেলৱে)। এই ৰেল যাত্ৰাৰ পূৰ্বে ১৮৫২ চনৰ ১৮ নৱেম্বৰত জিআইপি ৰেলৱেৰ বৰমূৰীয়াসকলে বোম্বাই-থানে পথত পৰীক্ষামূলকভাৱে এক ৰেল ভ্ৰমণ কৰে। ❖

# অ' মোৰ আপোনাৰ দেশ



'অ' মোৰ আপোনাৰ দেশ' গীতটো আমাৰ বৰ আপোন। লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা এই গীতটো 'মোৰ দেশ' নামেৰে ১৯০৯ চনত 'বাঁহী' আলোচনীত প্ৰকাশ হৈছিল। ১৯২৭ চনৰ অক্ট'বৰ মাহত তেজপুৰত দেশভক্ত তৰুণৰাম ফুকনৰ পৌৰোহিত্যত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ বাৰ্ষিক অধিবেশনত এই গীতটো অসমৰ জাতীয় সংগীতৰূপে গ্ৰহণ কৰা হয়। এই গীতটো বেজবৰুৱাৰ 'কদমকলি' নামৰ কবিতা পুথিখনত সন্নিৱিষ্ট হৈছে। গীতটোত সুৰাৰোপ কৰিছিল কমলা প্ৰসাদ আগৰৱালাই। গীতটো ইংৰাজী, হিন্দী, বাংলাকে ধৰি ডেৰকুৰিতকৈও অধিক ভাষালৈ তথা অসমৰ জনগোষ্ঠীয় ভাষাসমূহলৈ অনূদিত হৈছে। ❖

# অসমীয়া ফকৰা-যোজনা

## উদক দেখি বোন্দাই ডুব মৰা



উদ এবিধ জলচৰ প্ৰাণী। ই পানীৰ পৰা সহজতে মাছ ধৰি খাব পাৰে। নদী, পুখুৰী বা যিকোনো জলাশয়ৰ পৰা মাছ ধৰি খাব পৰাৰ সামৰ্থ্য উদৰ আছে। আনহাতে মেকুৰীয়ে মাছ খাই ভাল পালেও পানীৰ পৰা মাছ ধৰি খাব নোৱাৰে। উদে মাছ ধৰা দেখি বোন্দায়ো যদি পানীত ডুব মাৰে, তেন্তে সি মাছ ধৰিবতো নোৱাৰিবই, নিজৰহে বিপদ চপাই ল'ব। সেইদৰে কোনো সমৰ্থবান লোকে কোনো কাম কৰা দেখি সামৰ্থ্যহীন লোক এজনেও যদি তেনে কাম কৰিবলৈ প্ৰয়াস কৰে তেন্তে তেওঁ কুফল ভোগাটোৱেই স্বাভাৱিক। নিজৰ সামৰ্থ্যৰ কথা বিবেচনা নকৰি আনক দেখি কোনো কামত প্ৰবৃত্ত হোৱা লোকক বুজাবলৈ এই যোজনাটো ব্যৱহাৰ কৰা হয়।

**প্ৰায়োগিক বাক্য : ৰাজুৱে অট্টালিকাটো সজা দেখি তয়ো যে মৰসাহটো কৰিছ; তোৰ পাছে সিমান আৰ্জন আছে জানো? চাবি আকৌ উদক দেখি বোন্দাই ডুব মাৰিব নাযাবি। ❖**


## বান্দৰৰ ডিঙিত মুকুতাৰ মালা পিন্ধোৱা



মুকুতা এবিধ মূল্যবান বস্তু। ই দেখিবলৈও বৰ সুন্দৰ। মানুহে মুকুতাৰ মালাৰ গুৰুত্ব বুজে আৰু সেয়ে আদৰ কৰি ৰাখিবও জানে। বান্দৰে মুকুতাৰ মালাৰ মূল্য বুজি নাপায়। সেয়েহে বান্দৰক মুকুতাৰ মালা পিন্ধালেও সেই মালাৰ আদৰ নুবুজে বাবে সেই মালা ছিঙি পেলাব। সেইদৰে যি মানুহে যি বস্তুৰ মূল্য নুবুজে বা যি কামৰ দায়িত্ব নুবুজে, তেওঁক সেই কামৰ বাবে দায়িত্ব দিয়াটোৱেই উচিত নহয়। এই যোজনাটোৰ তাৎপৰ্য্য এয়াই যে, মানুহৰ ৰুচি আৰু যোগ্যতাৰ বিচাৰ কৰিহে তেওঁৰ ওপৰত কামৰ ভাৰ দিব লাগে।

**প্ৰায়োগিক বাক্য : ৰুবুলক সমাৰোহখনৰ সভাপতি পতাৰ কামটো বৰ সঠিক নহ'ল দেই; চাবিচোন বান্দৰৰ ডিঙিত মুকুতাৰ মালা পিন্ধোৱাৰ নিচিনাহে হ'বগৈ। ❖**

# মে’ দিৱসৰ কিছু কথা




প্ৰতি বছৰৰ ১ মে’ত মে’ দিৱস বা আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হয়। মে’ দিৱস পালন কৰাৰ আঁৰত এক কাহিনী আছে। শিল্প বিপ্লৱৰ পাছৰ পৰাই সমগ্ৰ ইউৰোপ আৰু আমেৰিকাত বহু ডাঙৰ কাৰখানা গঢ় লৈ উঠিছিল। তাৰ বাবে বৃহৎসংখ্যক শ্ৰমিকৰ প্ৰয়োজন হৈছিল। কাৰখানাৰ মালিক তথা পুঁজিপতিসকলে অধিক লাভৰ আশাত শ্ৰমিকসকলক অমানুষিক শ্ৰম কৰোৱাইছিল। মালিকসকলে শ্ৰমিকসকলক দৈনিক ১৮-২০ ঘণ্টা পৰ্য্যন্ত কাম কৰিবলৈ বাধ্য কৰাইছিল। শ্ৰমিকসকলে মজুৰি পাইছিল সামান্য। পুঁজিপতিসকলৰ এনে কাৰ্য্যৰ প্ৰতিবাদ কৰিলে শ্ৰমিকসকলক নানা শাস্তি দিয়া হৈছিল। শ্ৰমিকসকলে বাধ্য হৈ বিনা প্ৰতিবাদে অন্যায় আদেশ মানি চলিবলগীয়া হৈছিল। মাজে মাজে প্ৰতিবাদ হ’লেও এই প্ৰতিবাদ সংগঠিত ৰূপত হোৱা নাছিল। কিন্তু ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিক এংগেলছৰ চেষ্টাত এনে অন্যায়ৰ প্ৰতিবাদে এক সংগঠিত ৰূপ লয়। নানা ঠাইত শ্ৰমিক সংগঠনৰো জন্ম হয়। ১৮৬৪ চনত আন্তৰ্জাতিক শ্ৰমিক সংস্থাৰ জন্ম হয়। ১৮৮৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত সংগঠিত ট্ৰেড লেবাৰ ইউনিয়ন ফেডাৰেছনে তেওঁলোকৰ চতুৰ্থ সন্মিলনত প্ৰস্তাৱ গ্ৰহণ কৰিলে যে ১৮৮৬ চনৰ ১ মে’ৰ পৰা দৈনিক আঠ ঘণ্টাহে কামৰ সময় বুলি গণ্য কৰিব আৰু বাকী ১৬ ঘণ্টা বিশ্ৰাম তথা সাংস্কৃতিক বিনোদনৰ বাবে থাকিব। সেইমতে ধৰ্মঘটৰ ঘোষণাও কৰা হ’ল।

১৮৮৬ চনৰ ১ মে’ত চিকাগোত ধৰ্মঘট আৰম্ভ হয় আৰু ইয়াত প্ৰায় পাঁচ লাখ শ্ৰমিকৰ সমাবেশ হয়। তাতে ‘আঠ ঘণ্টা’ আন্দোলনে চূড়ান্ত ৰূপ লয়। এই কাৰ্য্যত পুঁজিপতিসকল শংকিত হয়। ৩ মে’ৰ দিনা ‘মাক কটিক ৰিপাৰ কাৰখানা’ৰ শ্ৰমিকসকলৰ ওপৰত আৰক্ষীৰ আক্ৰমণ চলে। এই আক্ৰমণত ৬ জন শ্ৰমিক নিহত হয়। এই ঘটনাৰ প্ৰতিবাদত ৪ মে’ৰ দিনা চিকাগো চহৰৰ ‘হে মাৰ্কেট স্কোৱাৰ’ত প্ৰতিবাদী সভা অনুষ্ঠিত হয়। ১৮৮৯ চনৰ ১৭ জুলাইত পেৰিছত অনুষ্ঠিত শ্ৰমিকসকলৰ দ্বিতীয় আন্তৰ্জাতিক সন্মিলনত চিকাগো ধৰ্মঘটৰ শ্বহীদসকলৰ স্মৰণত ১৮৯০ চনৰ ১ মে’ৰ পৰা প্ৰতি বছৰে সেই দিনটো আন্তৰ্জাতিক শ্ৰমিক দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ প্ৰস্তাৱ লোৱা হয়। সেই মতেই প্ৰতি বছৰে ১ মে’ৰ দিনা মে’ দিৱস অথবা আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈ আহিছে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| শক্তি | energy | মহামাৰী | epidemic |
| পাৰমাণৱিক শক্তি | atomic energy | দূত | envoy |
| ইঞ্জিন | engine | সমতা | equality |
| অভিযন্তা | engineer | ভাৰসাম্য | equilibrium |
| নামভৰ্তি | enrolment | সমতুল্য | equivalent |
| অনুসন্ধান, তদন্ত | enquiry | ৰবৰ | eraser, rubber |
| মনোৰঞ্জন, প্ৰমোদ | entertainment | ভুল, ত্ৰুটি | error |
| অধিকাৰ দিয়া | entitle | অনিবাৰ্য্য সেৱা | essential service |
| পতংগবিজ্ঞান | entomology | সংস্থাপন | establishment |
| প্ৰবেশ পৰীক্ষা | entrance examination | ভূ-সম্পত্তি | estate |
| গণনাকাৰী | enumerator | শিষ্টাচাৰ | etiquette |
| প্ৰবেশ মাচুল | entry fee | আনুমানিক হিচাপ | estimate |
| লেফাফা | envelope | উচ্ছেদ | eviction |
| পৰিবেশ | environment | পৰীক্ষক | examiner |
| অভিকেন্দ্ৰ | epicentre | ক্ৰমবিকাশ | evolution ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমৰ ঔষধি গছ

**সৰ্পগন্ধা :** ইংৰাজী নাম : Indian snakeroot, বৈজ্ঞানিক নাম : *Rauvolfia serpentina* : আমাৰ



সকলোৰে পৰিচিত সৰ্পগন্ধা এবিধ এপ'ছাইনেছিয়া (Apocynaceae) পৰিয়ালৰ অন্তৰ্গত চিৰসেউজীয়া আৰু জোপোহা উদ্ভিদ। এইবিধ উদ্ভিদ ক্ৰান্তীয় হিমালয়, অসম, মেঘালয়, ডেক্কান মালভূমি, পশ্চিমবংগ আৰু বিহাৰৰ কিছু অংশত পোৱা যায়। এই উদ্ভিদৰ পাতবোৰ সৰল আৰু ফুলবোৰ বগা-ৰঙা। এইবিধ গছ প্ৰায় ৩০ৰ পৰা ৭৫ ছেণ্টিমিটাৰ ওখ হোৱা দেখা যায়। শিপা হৈছে এইবিধ উদ্ভিদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ। ইয়াক পৰিষ্কাৰকৈ শুকুৱাই গুড়ি কৰি ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। তদুপৰি ইয়াক নিদ্ৰাহীনতা, মানসিক ভাৰসাম্যহীনতা, ৰক্তচাপ আৰু সৰ্প দংশনৰ প্ৰতিকাৰক হিচাপেও ব্যৱহাৰ কৰা দেখা যায়। শৰীৰত হোৱা বিভিন্ন বিষ, মূৰ ঘূৰোৱা আদি ৰোগত সৰ্পগন্ধাৰ শিপাৰ গুড়ি প্ৰয়োগ কৰিলে সুফল পোৱা যায়। সৰ্পগন্ধা যিমানেই পুৰণি হয়, সিমানেই ইয়াৰ ঔষধি গুণ বাঢ়ে। ❖

**বক ফুল :** ইংৰাজী নাম : Hummingbird tree, বৈজ্ঞানিক নাম : *Sesbania grandiflora :* বকফুল এবিধ ফেবেছিয়া (Fabaceae) পৰিয়ালৰ অন্তৰ্গত মজলীয়া আকাৰৰ গছ। বক ফুল দক্ষিণ-পূব এছিয়াৰ এবিধ থলুৱা উদ্ভিদ। এই গছ মালয়েছিয়া, ফিলিপিনছৰ পৰা উত্তৰ অষ্ট্ৰেলিয়ালৈ প্ৰাকৃতিকভাৱে বিস্তৃত। ভাৰত আৰু শ্ৰীলংকাৰ বহু ঠাইত ইয়াৰ খেতিও কৰা হয়। এই গছ গৰম আৰু আৰ্দ্ৰ ঠাইৰ সাৰুৱা মাটিত গজে। বক ফুল এবিধ খৰকৈ বৃদ্ধি পোৱা গছ। গছজোপাৰ



উচ্চতা ৩ৰ পৰা ৮ মিটাৰ পৰ্য্যন্ত হোৱা দেখা যায়। এই গছৰ পাতবোৰ ডিম্বাকৃতিৰ। ফুলৰ বৰণ বগা। ই এবিধ ঔষধি গুণসম্পন্ন গছ। বক ফুলৰ পাতৰ ৰসত লিন'লৈনিক এচিড আৰু এছপাৰ্টিক এচিড থাকে। এইবাবেই এই গছৰ পাতৰ ৰসে দেহত সৰল শৰ্কৰাৰ সৈতে প্ৰ'টিন যোগ হোৱাত বাধা দি (antiglycation) ছালৰ স্বাস্থ্য বজাই ৰখাত সহায় কৰে। কুকুৰীকণা, পিত্তৰোগ, হজমৰ সমস্যা, কফজনিত সমস্যা ইত্যাদি বিভিন্ন ৰোগৰ পৰা উপশম পাবলৈ বক ফুল ব্যৱহাৰ কৰা হয়। ❖

# চিকিৎসাবিজ্ঞানৰ এক অভিনৱ আৱিষ্কাৰ—‘এণ্টিবায়’টিক’

■ উদয়া ফুকন




মানুহৰ অনুসন্ধিৎসু মনে সদায় প্ৰকৃতিত থকা ৰহস্য উদ্‌ঘাটনৰ বাবে চেষ্টা কৰি আহিছে। এনে প্ৰচেষ্টাৰ ফলত ন ন আৱিষ্কাৰ হৈছে, যাৰ প্ৰয়োগে মানুহৰ জীৱন নিৰ্বাহ সুবিধাজনক কৰি তুলিছে। এনে এক উল্লেখযোগ্য আৱিষ্কাৰ হ’ল এণ্টিবায়’টিক (Antibiotic) বা প্ৰতিজৈৱিকৰ আৱিষ্কাৰ। এণ্টিবায়’টিক নামৰ পদাৰ্থবিধ কিছুমান অণুজীৱই নিঃসৰণ কৰা এক বিশেষ ধৰণৰ পদাৰ্থ যি আন কিছুমান অণুজীৱৰ বংশবৃদ্ধি ৰোধ কৰে বা অণুজীৱক ধ্বংস কৰে। এণ্টিবায়’টিক শব্দটো গ্ৰীক ভাষাৰ পৰা অহা। ইয়াৰ ‘Anti’ শব্দৰ অৰ্থ ‘Against’ আৰু ‘bios’ শব্দৰ অৰ্থ হ’ল ‘life’। ১৯৪২ চনত ৱাক্সমেন (Waksman) নামৰ বিজ্ঞানীগৰাকীয়ে অণুজীৱৰ বংশবৃদ্ধি ৰোধ কৰা বা অণুজীৱ নাশ কৰিব পৰা এই পদাৰ্থক নামকৰণ কৰে ‘এণ্টিবায়’টিক’ বুলি। আলেকজেণ্ডাৰ ফ্লেমিং নামৰ বিজ্ঞানীগৰাকীয়ে ১৯২৮ চনত ইংলণ্ডৰ চেণ্ট-মেৰি হাস্পতালত ষ্টেফাইল’ককাছ অৰিয়াছ (*Staphylococcus aureas*) নামৰ বেক্টেৰিয়াবিধ কৰ্ষণ মাধ্যমত (culture medium) গজাওঁতে কৰ্ষণ মাধ্যম থোৱা পাত্ৰটোত এবিধ ভেঁকুৰ গজা প্ৰত্যক্ষ কৰিছিল। সেই ভেঁকুৰবিধে বেক্টেৰিয়াবিধৰ বৃদ্ধিত বাধা জন্মাইছিল। তেওঁ সেই ভেঁকুৰবিধ ‘পেনিচিলিয়াম’ বুলি চিনাক্ত কৰিছিল। পেনিচিলিয়াম নামৰ ভেঁকুৰবিধে নিঃসৰণ কৰা পদাৰ্থবিধক ‘পেনিচিলিন’ বুলি কোৱা হৈছিল। ইয়াক এণ্টিবায়’টিক বুলি কোৱা হ’ল। ৰোগ সৃষ্টিকাৰী কিছুমান বেক্টেৰিয়া এণ্টিবায়’টিকে ধ্বংস কৰিব পাৰে বুলি পোহৰলৈ আহিল। দুগৰাকী বিজ্ঞানী আৰ্নেষ্ট চেইন (Ernest Chain) আৰু হৱাৰ্ড ফ্লৰিয়ে (Howard Florey) পোনপ্ৰথমে ব্যাৱসায়িক ভিত্তিত প্ৰয়োগৰ বাবে এণ্টিবায়’টিক প্ৰস্তুত কৰি উলিয়াইছিল। এওঁলোক দুগৰাকী আৰু আলেকজেণ্ডাৰ ফ্লেমিঙক এণ্টিবায়’টিক আৱিষ্কাৰৰ বাবে ১৯৪৫ চনত ন’বেল বঁটাৰে সন্মানিত কৰা হৈছিল। উল্লেখযোগ্য যে দ্বিতীয় মহাযুদ্ধত আহত সৈনিকসকলক পেনিচিলিন প্ৰয়োগৰ দ্বাৰা সুস্থ কৰিব পৰা গৈছিল। তদুপৰি পেনিচিলিনৰ ব্যৱহাৰে নিউম’নিয়া ৰোগীৰ মৃত্যুৰ হাৰ হ্ৰাস কৰিছিল। এণ্টিবায়’টিকৰ ব্যৱহাৰে বেক্টেৰিয়াজনিত ৰোগৰ সংক্ৰমণ হ্ৰাস কৰি চিকিৎসাবিজ্ঞানত এক নতুন যুগৰ সূচনা কৰে।

বিজ্ঞানীসকলৰ মতে অতি প্ৰাচীন কালতো মানুহে ৰোগ উপশম আৰু ৰোগ প্ৰতিৰোধৰ বাবে প্ৰাকৃতিক প্ৰক্ৰিয়াৰে এণ্টিবায়’টিক ব্যৱহাৰ কৰিছিল। প্ৰাচীন কালৰ মানৱ কংকালত ‘টেট্ৰাচাইক্লিন’ নামৰ এণ্টিবায়’টিকবিধৰ অৱস্থিতিয়ে এই কথা প্ৰমাণ কৰে। অনুমান কৰা মতে সেই সময়ত প্ৰাকৃতিক বস্তু, যেনে—মাটি ব্যৱহাৰ কৰি ৰোগ নিৰাময় বা প্ৰতিৰোধ কৰা হৈছিল। কিছুমান অণুজীৱই নিঃসৰণ কৰা এণ্টিবায়’টিক মাটিত মিহলি হৈ থকাৰ বাবে তেনে মাটিত এণ্টিবায়’টিক মজুত আছিল বুলি ভবা হৈছে।

পৰৱৰ্তী সময়ত নানান ধৰণৰ অণুজীৱৰ পৰা ন ন এণ্টিবায়’টিক আৱিষ্কাৰ হ’ল। বৰ্তমান বিভিন্ন অণুজীৱৰ পৰা প্ৰায় ৭০০০তকৈ অধিক এণ্টিবায়’টিক আহৰণ কৰা হৈছে। এই অণুজীৱবোৰ প্ৰধানতঃ বেক্টেৰিয়া আৰু ভেঁকুৰ। ভাৰতবৰ্ষ এণ্টিবায়’টিক উৎপন্ন কৰা বিশ্বৰ এক অন্যতম ৰাষ্ট্ৰ।

এণ্টিবায়'টিকে বেক্টেৰিয়াৰ নিচিনা অণুজীৱ ধ্বংস কৰে, কিন্তু ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিব নোৱাৰে। কিছুমান এণ্টিবায়'টিকে পোনপটীয়াকৈ অণুজীৱ নাশ কৰে। তেনেবোৰক বেক্টেৰিয়ানাশী (Bactericidal) এণ্টিবায়'টিক বোলে। আন কিছুমানে বেক্টেৰিয়াৰ বিপাকীয় ক্ৰিয়াত বাধা জন্মাই বংশবৃদ্ধি ৰোধ কৰে। তেনে এণ্টিবায়'টিক বেক্টেৰিয়াস্তম্ভক (Bacteriostatic) এণ্টিবায়'টিক বোলা হয়। বেক্টেৰিয়াৰ ওপৰত এণ্টিবায়'টিকে কিদৰে ক্ৰিয়া কৰে তাৰ ভিত্তিত এণ্টিবায়'টিকবোৰক কেইটামান ভাগত ভগোৱা হৈছে। এই ভাগবোৰ এনে ধৰণৰ :

- বেক্টেৰিয়াবোৰৰ কোষবেৰ নষ্ট কৰি বৃদ্ধিত বাধা জন্মোৱা এণ্টিবায়'টিক।
- বেক্টেৰিয়াৰ নিউক্লিয়িক এচিডৰ ওপৰত ক্ৰিয়া কৰি বৃদ্ধি ৰোধ কৰা এণ্টিবায়'টিক।
- বেক্টেৰিয়াৰ কোষাবৰণ নষ্ট কৰি বৃদ্ধিত বাধা জন্মোৱা এণ্টিবায়'টিক আদি।

সেইদৰে এণ্টিবায়'টিক এবিধে কি পৰিসৰত ক্ৰিয়া কৰে তাৰ ওপৰত ভিত্তি কৰিও এইবোৰক দুই ভাগত ভগোৱা হয়। যিবোৰ এণ্টিবায়'টিকে বিভিন্ন ধৰণৰ বেক্টেৰিয়া নাশ কৰে তেনেবোৰক বহুল পৰিসৰত ক্ৰিয়াশীল (Broad spectrum) এণ্টিবায়'টিক বোলে। আনহাতে কিছুমানে এক নিৰ্দিষ্ট বেক্টেৰিয়াহে ধ্বংস কৰিব পাৰে। তেনে এণ্টিবায়'টিক কম পৰিসৰত ক্ৰিয়াশীল (nerrow spectrum) এণ্টিবায়'টিক বোলা হয়। যিহেতু এই পদাৰ্থবোৰ বেমাৰ সৃষ্টিকাৰী জীৱাণু নাশ কৰিব পাৰে বা ইহঁতৰ বৃদ্ধিত বাধা দিয়ে সেইবাবে এই এণ্টিবায়'টিকবোৰক চমৎকাৰী উপাচাৰ (a miracle cure) বুলি কোৱা হয়।

এণ্টিবায়'টিক আহৰণ কৰিব পৰা ব্যৱহাৰ উপযোগী অণুজীৱক উপযুক্ত আৰু বীজাণুমুক্ত পৰিবেশত কৰ্ষণ মাধ্যমত (culture medium) বৃদ্ধি হ'বলৈ দিয়া হয়। কৰ্ষণ মাধ্যমত প্ৰচুৰ পৰিমাণৰ এণ্টিবায়'টিক জমা হোৱাৰ পাছত অণুজীৱবোৰক কৰ্ষণ মাধ্যমৰ পৰা পৃথক কৰা হয় আৰু এণ্টিবায়'টিকবিধক বিশুদ্ধ ৰূপত আহৰণ কৰি লোৱা হয়। ভেঁকুৰৰ পৰা আহৰণ কৰা কিছুমান এণ্টিবায়'টিক হ'ল—পেনিচিলিন, পাটুলিন, গ্ৰেছিঅ'ফালভিন, চিফাল'স্পৰিন, পৰিপৰিণ আদি। সেইদৰে ষ্ট্ৰেপ্ট'মাইচিছ (streptomyces) নামৰ বেক্টেৰিয়াবিধৰ পৰা ষ্ট্ৰেপ্ট'মাইছিন, নিঅ'মাইছিন, টেট্ৰাচাইক্লিন আদি এণ্টিবায়'টিক আহৰণ কৰা হয়। বিভিন্ন ধৰণৰ ৰোগ, যেনে—টাইফয়ড, যক্ষ্মা, প্লেগ, হুপিং কাহ, ডিফথেৰিয়া আদি মাৰাত্মক ৰোগ এণ্টিবায়'টিক ব্যৱহাৰ কৰি নিৰ্মূল কৰিব পাৰি। ৰোগ নিৰাময় কৰাৰ লগতে এই পদাৰ্থবিধৰ আন প্ৰয়োগো আছে। মাছ-মাংস আদি সংৰক্ষণৰ বাবেও এণ্টিবায়'টিক ব্যৱহাৰ কৰা হয়। ১৯৫০ চনৰে পৰা পশুধনৰ খাদ্যৰ লগত এণ্টিবায়'টিক মিহলি কৰি পশুৰ বৃদ্ধি খৰতকীয়া কৰি অহা হৈছে।

ৰোগ নিবাৰণৰ বাবে এণ্টিবায়'টিক সাৱধানে ব্যৱহাৰ কৰা উচিত। চিকিৎসকৰ পৰামৰ্শ মতেহে উচিত মাত্ৰাত সঠিক এণ্টিবায়'টিক ঔষধ হিচাপে সেৱন কৰিব লাগে। দীৰ্ঘকাল ধৰি এণ্টিবায়'টিক ব্যৱহাৰ কৰি থাকিলে পাছলৈ অণুজীৱৰ ওপৰত তাৰ ক্ৰিয়া নোহোৱা হয়গৈ। এনে ক্ষেত্ৰত বেক্টেৰিয়াই প্ৰতিৰোধী ক্ষমতা লাভ কৰে। ফলত এণ্টিবায়'টিকে ৰোগ নিৰাময় কৰিব নোৱৰা হয়। তদুপৰি অন্ত্ৰত বাস কৰা প্ৰয়োজনীয় বেক্টেৰিয়াও ধ্বংস হয়। কিছুমান লোক কোনো এণ্টিবায়'টিকৰ প্ৰতি সংবেদনশীল হ'ব পাৰে। তেনে ক্ষেত্ৰত আগতীয়াকৈ পৰীক্ষা কৰিহে এই ঔষধ গ্ৰহণ কৰিব লাগে। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল (এপ্ৰিল, ২০২৩)

প্ৰিয়াংশু প্ৰীতিশ শৰ্মা, (পঞ্চম গ),
দৰ্শনা চক্ৰৱৰ্তী (ষষ্ঠ ক)

# চন্দ্ৰকান্তা

■ সুদীপ্তা চৌধুৰী




চন্দ্ৰকান্তা উপন্যাসখনৰ লেখক হৈছে দৈৱকীনন্দন খত্ৰী। তেওঁ হৈছে হিন্দী সাহিত্যৰ প্ৰথম ফেণ্টাচী (কাল্পনিক) লেখক। তেওঁ 'চন্দ্ৰকান্তা', 'চন্দ্ৰকান্তা সন্ততি', কাজৰ কি কোঠৰী', 'নৰেন্দ্ৰ মোহিনী', 'কুসুম কুমাৰী', 'বীৰেন্দ্ৰ বীৰ', 'গুপ্ত গোদনা', 'কটোৰা ভৰ', 'ভূতনাথ' আদিৰ দৰে গ্ৰন্থ ৰচনা কৰিছিল। উপন্যাসখন পোনপ্ৰথমবাৰৰ বাবে ১৮৮৮ চনত প্ৰকাশ হৈছিল। 'চন্দ্ৰকান্তা' দৈৱকীনন্দন খত্ৰীৰ প্ৰথমখন উপন্যাস। এই উপন্যাসখন অতি জনপ্ৰিয় আছিল আৰু কোৱা হয় বহুতো লোকে এইখন পঢ়িবলৈ দেৱনাগিৰী লিপি শিকি লৈছিল। এই উপন্যাসখনৰ নাম উপন্যাসৰ নায়িকাৰ নামেৰে ৰখা হৈছিল। এই উপন্যাসখনৰ কাহিনীৰ ওপৰত ভিত্তি কৰি এখন টিভি ধাৰাবাহিকো নিৰ্মাণ কৰা হৈছিল। কিন্তু টিভি ধাৰাবাহিক 'চন্দ্ৰকান্তা' আৰু উপন্যাস 'চন্দ্ৰকান্তা'ৰ কাহিনীৰ মাজত বহুখিনি পাৰ্থক্য পৰিলক্ষিত হৈছিল। 'চন্দ্ৰকান্তা' নামৰ টিভি ধাৰাবাহিকখন টিভিৰ ইতিহাসৰ এখন অন্যতম ব্যয়বহুল ধাৰাবাহিক আছিল।

চন্দ্ৰকান্তা উপন্যাসখনৰ উপজীব্য এক লৌকিক প্ৰেম কাহিনী। য'ত আছে প্ৰেম, হিংসা আৰু শত্ৰুতা। দুটা ৰাজ পৰিয়াল নৱগড় আৰু বিজয়গড়ৰ শত্ৰুতা আৰু হিংসাৰ কাহিনীৰে উপন্যাসখনৰ কাহিনীভাগ আগ বাঢ়িছে। বিজয়গড়ৰ ৰাজকুমাৰী চন্দ্ৰকান্তা আৰু নৱগড়ৰ ৰাজকুমাৰ বীৰেন্দ্ৰ বিক্ৰমৰ মাজত প্ৰেমৰ সূত্ৰপাত হৈছিল। এই দুয়োটা পৰিয়ালৰ শত্ৰুতাৰ কাৰণ আছিল, বিজয়গড়ৰ মহাৰাজে নৱগড়ৰ ৰজাক নিজৰ ভায়েকৰ হত্যাকাৰী বুলি ভাবিছিল, ইয়াৰ কাৰণ আছিল বিজয়গড়ৰ মহামন্ত্ৰী ক্ৰুৰ সিং। যিজনে চন্দ্ৰকান্তাক বিয়া কৰাবলৈ আৰু বিজয়গড়ৰ মহাৰাজ হ'বলৈ সপোন দেখিছিল। উপন্যাসখনত ৰাজকুমাৰী চন্দ্ৰকান্তা আৰু ৰাজকুমাৰ বীৰেন্দ্ৰ বিক্ৰমৰ কাহিনীৰ সমান্তৰালভাৱে তেজসিংহ আৰু এয়াৰা চপালাৰ প্ৰেম কাহিনীও আগ বাঢ়ে। স্বাধীন ভাৰতৰ বহু ঔপন্যাসিকে এইখন উপন্যাসৰ আলম লৈ বহুতো উপন্যাস লিখিছে। এই ক্ষেত্ৰত নামটোৰ লগতো কিছু উপন্যাসৰ হুবহু মিল আছিল। যেনে—বেদ প্ৰকাশ শৰ্মাৰ দেৱ কান্তা সন্ততি, ওম প্ৰকাশ শৰ্মাৰ সূৰ্য্য কান্তা সন্ততি আদি। যদিও নাম বা কাহিনীৰ ফালৰ পৰা মিল থকা বহুতো উপন্যাস ৰচনা কৰা হৈছিল, কিন্তু 'চন্দ্ৰকান্তা' উপন্যাসৰ জনপ্ৰিয়তাক কোনো এখন উপন্যাসে চুব পৰা নাছিল।

যিগৰাকী নাৰীক লৈ 'চন্দ্ৰকান্তা' উপন্যাসখন ৰচনা হৈছিল, সেইগৰাকী নাৰী চৰিত্ৰ আছিল আজিৰ যুগৰ নাৰীৰ দৰে সবল, শক্তিশালী, স্বাধীন আৰু সাহসী। চন্দ্ৰকান্তাৰ মাকে চন্দ্ৰকান্তা ডাঙৰ হৈ অহাত ঘটনাক্ৰমে বিজয়গড়ৰ পৰা সূৰ্য্যগড়লৈ পঠিওৱাৰ সিদ্ধান্ত লয়। তাত চন্দ্ৰকান্তাক এজন মাছমৰীয়াই তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। তাত চন্দ্ৰকান্তা এগৰাকী সাহসী যোদ্ধা হৈ উঠে। চন্দ্ৰকান্তা যদিও ৰাজকুমাৰী আছিল, তাইৰ মনটো কিন্তু সৰল আছিল। চন্দ্ৰকান্তা যাদুবিদ্যাত পাৰ্গত আছিল। এগৰাকী সত্যবাদী নাৰী হিচাপে পৰিচিত চন্দ্ৰকান্তাই কোনোবাই কিবা ভুল বা বেয়া কৰিলে তাৰ উচিত ন্যায় হোৱাটো বিচাৰিছিল। সমাজৰ মানুহখিনিক যাতে কোনেও একো অপকাৰ কৰিব নোৱাৰে, তাৰ প্ৰতি চন্দ্ৰকান্তা সদায় সচেতন আছিল। তেওঁ অতিকৈ জ্ঞানী আৰু সুন্দৰমনা নাৰী আছিল। এনেবোৰ কাৰণতে 'চন্দ্ৰকান্তা' চৰিত্ৰটি হিন্দী সাহিত্যত এগৰাকী উজ্জ্বল আৰু সবল নাৰী হিচাপে প্ৰতিষ্ঠিত হৈছে। ❖

# উৎপৰিৱৰ্তন

■ উৎকলিকা ডেকা
দশম শ্ৰেণী

ৰাতিপুৱাৰ চাহকাপ হাতত লৈ বাৰাণ্ডাৰ চকীখনতে বহিছোঁ। সমুখৰ ৰাস্তাটোৰে গাড়ী-মটৰবোৰ নিৰৱচ্ছিন্নভাৱে গতি কৰি আছে। ঠিক তেনেদৰে মোৰ মনতো অতীতৰ ঘটনাবোৰে গতি কৰিব ধৰিছে নিৰৱচ্ছিন্নভাৱে।



: ঐ কাঞ্চন, তোৰ বাচনখিনি ধোৱা হ'লনে? ইমান সময় দমকলৰ পাৰত কি কৰি আছ?

: হৈছেই আৰু বাইদেউ। বাটিকেইটা ধোৱা হ'লেই হ'ল।

: বাপ্‌ৰে...। এইজনীক মানে কাম এটা দিলে কামটো কৰোঁতে এঘণ্টা সময় লগাব। মুখেৰে ভোৰভোৰাই ভোৰভোৰাই নীলিমা বাইদেউ পাকঘৰলৈ সোমাই গ'ল। বাহিৰৰ কাপোৰৰ তাঁৰডালতে মেলি দিয়া ফটা দুহতীয়াখনেৰে বাচনখিনি পৰিষ্কাৰকৈ মচি ভিতৰলৈ সোমাই গ'লোঁ মই।

: বাইদেউ, বাইদেউ।

কতবাৰ মাতিলোঁ, কিন্তু নাই, বাইদেউৱে মাছ ভজাত ব্যস্ত। আচলতে বাইদেৱে যি কাম কৰে খুব একাণপতীয়াকৈ মনোযোগ দি কৰে। কামত ব্যস্ত থাকিলে কোনোবাই মাতিলেও তেওঁ উত্তৰ নিদিয়ে।

ডাঙৰ চৰিয়াটোতে বাচনখিনি থৈ মই ঔষধৰ বটলটো লৈ আইতাৰ খোটালিটোলৈ আহিলোঁ। সাৰ-সুৰ নাই। শুই শুই আইতাই মুড়ি গলিয়াই আছে। লুথুৰি খোৱা চামুচখনতে ঔষধটোপা বাকি আইতাক খুৱাই দিলোঁ। কম্বলখনো ভালদৰে উৰাই দিলোঁ।

: কাঞ্চন ! ঐ কাঞ্চন। জালখনতে লাগি থকা পোনা মাছকেইটা এৰুৱাই ভালদৰে বাছি দেচোন। বুঢ়া হৈ আহিছোঁ, ভালদৰে মনিবই নোৱাৰোঁচোন। বাইদেউৰ এইবোৰ কথাই মোৰ খুব ভাল লাগে। হ'ব পাৰোঁ মই ঘৰৰ কাম-বনত সহায় কৰি দিয়া ছোৱালী। কিন্তু এইখন ঘৰে মোক সদায় আপোন কৰি ৰাখিছে। কেতিয়াও মোক অনুভৱ কৰিবলৈ নিদিয়ে যে মই ঘৰৰ কামত সহায় কৰি দিয়া বনকৰা ছোৱালীহে। নীলিমা বাইদেউ মোৰ মাৰ দৰে। মা-দেউতা ঢুকোৱাৰ পাছত নীলিমা বাইদেৱে মোৰ আৰু মোৰ কণমানি ভাইটিটোৰ সমস্ত দায়িত্ব বহন কৰিছিল।

: কথাবোৰ ভাবি থাকোঁতেই ক'ৰ পৰা জানো অজান হাঁহি এটা মুখত ফুটি উঠিল গমেই নাপালোঁ।

: কাঞ্চন, মাছকেইটা বছা হ'ল যদি লৈ আহ। হে ঈশ্বৰ, মাছকেইটাচোন জালতে লাগি আছে ! কি যে ভাবি আছিলোঁ নহয় মই। এইবুলি মূৰত লাহেকৈ চপৰিয়াই দিলোঁ।

কাঠৰ ডাঠ পীৰাখনত বহি বঠিখন আগত লৈ নিজৰ কাম আৰম্ভ কৰিলোঁ।

মাছ বছাৰ সময়ত বাইদেউহঁতৰ বগীকৈ মেকুৰীজনীও বাৰে বাৰে আহি থাকিল। কোনেও নেদেখাকৈ পোনা মাছ এটা অলপ দূৰলৈ দলিয়ায়ো দিলোঁ।

: কাঞ্চন... ঐ কাঞ্চন, মাছ বাছিছ হ'বলা? বাটৰ পৰা মনোহৰ দদাইটিয়ে মাত দিলে।

: হয়, দদাইদেউ.... ময়ো উত্তৰ দিলোঁ।

: অ' বোলোঁ এভাগ মাছ আমাকো দিবি। এইবুলি মনোহৰ দদাইদেৰে চকু টিপিয়াই হাঁহি এটি মাৰি থৈ গুচি গ'ল। গ'ল কথা গুচিল। মই আকৌ মাছ বছাত লাগিলোঁ।

দুপৰীয়া ২ মান বজা। নিজৰ কাম-বন কৰি আঁটাই বাৰাণ্ডাৰ পীৰাখনতে বহি আছোঁ। ভাইটিও বিদ্যালয়ৰ পৰা আহি পাবৰ হোৱা নাই। সি আহিলে একেলগে ভাতকেইটা খাব পাৰোঁ। পীৰাখনতে বহি মনতে কিছুমান কথা পাগুলি আছো। মাজতে উঠি গৈ এবাৰ আইতাকো চাই আহিলোঁ। টোপনি গৈছে। ভাতকেইটা খাই উঠি বাইদেৱো বিছনাতে পৰিছেগৈ। ভোকো লাগিছে। কি যে কৰি থাকে ইও মানে ! এনেতে বাঁহৰ জপনাখন খুলি ৰ'দ আহি পালে।

: ঐ, কি কৰি থাক ইমান দেৰি স্কুলত? ভালকৈ ধমকি এটা দিলোঁ।

: হেই এইজনী। কিনো সদায় সদায় একেটা কথাকে সুধি থাক? যা ভাত বাঢ়গৈ। বৰ ভোক লাগিছে।

ৰ'দলৈ ঘোপাকৈ চাই পাকঘৰলৈ সোমালোঁ।

তাক সুধিবৰ বৰ মন যায় বিদ্যালয়খননো কেনেকুৱা? সমনীয়াবোৰনো কেনেকুৱা? কি কি পঢ়ায় বিদ্যালয়ত? মই খুব বেছি সপ্তম শ্ৰেণীলৈকে বিদ্যালয়ৰ বাকৰি গচকি পাইছিলোঁ। মা-পিতাৰ মৃত্যুৰ পাছত ৰ'দৰ দায়িত্ব বহন কৰাৰ খাতিৰতে বিদ্যালয়লৈ নগ'লোঁ। নীলিমা বাইদেৱেও বৰ জোৰ কৰিছিল। যোৱা নহ'ল। মন নগ'ল। সেয়ে মোৰ স্কুলীয়া শিক্ষা তাতেই সামৰণি পৰিল। কিন্তু এতিয়া খুব মন যায় ল'ৰালিৰ স্কুলীয়া দিনৰ কথাবোৰ শুনিবলৈ। কিন্তু ৰ'দক সুধিবলৈ সুবিধাই নাপাওঁ। সেয়ে সুবিধা বুজি তাক সুধিয়েই পেলালোঁ—

: ঐ, তোৰ বাৰু বিদ্যালয়লৈ গৈ ভাল লাগেনে? কথাষাৰ মই সুধিবলৈহে পালোঁ সি খুব জোৰেৰে চৰ্চৰণি খালে। কিবা যেন নুসুধিবলগীয়া কথাহে মই সুধিলোঁ।

: কি হ'ল?

: নাই একো নাই।

: তেনেহ'লে নক'লি যে?

: কি ক'ব লাগে অ'? বিৰক্তিৰ ভাবত সি ক'লে।

: বিদ্যালয়লৈ গৈ ভাল লাগে নে বেয়া?

: বেয়া।

: কিয়? উচাপ্ খাই উঠিলোঁ।

: এনেই।

: ক'বিনে?

: তহঁতি মোক এইখন কি স্কুলত নাম লগাই দিলি বাইদেউ? লগ-সমনীয়া কোনেও মোক মাতিব নোখোজে। কালি মা-দেউতাৰ কথা সোধোঁতে ক'ব নোৱৰাত গিৰ্জনি পাৰি হাঁহিছে। কৈছে মই বোলে বিদ্যালয়লৈ গৈ পঢ়াতকৈ ঘৰে ঘৰে গৈ কাম কৰিলেহে ভাল লাগিব। মোক সঁচাকৈ বনকৰা ল'ৰা যেন দেখি নেকি, বাইদেউ? কচোন?

তাৰ কথাবোৰ শুনি বুকুখনত এটা অজান শোকে খুন্দা মাৰি ধৰিলে। চিঞৰি চিঞৰি কান্দিবলৈ মন গ'ল। কিন্তু নোৱাৰোঁ।

: তই পঢ়িবি, ভাইটি। মাত্ৰ এষাৰ কথাৰেই মই তাক সান্ত্বনা দিলোঁ।

: বাইদেউ, তই মোক অইন এখন বিদ্যালয়ত নাম লগাই দিবি? বৰ কাতৰ স্বৰেৰে সি অনুৰোধ কৰিলে।

তাক মই না কৰিব নোৱাৰিলোঁ। জীৱনত সি প্ৰথমবাৰ মোক কিবা এটা খুজিছে। গতিকে অভাৱ থাকিলেও মই কোনোমতে মিলাই তাক ভাল বিদ্যালয় এখনত পঢ়ুৱাম। সি পঢ়িব।

: দিম, ভাইটি। তই মাথোঁ ভালদৰে পঢ়িবি। আৰু একো নক'লো।

সি মোক সাবটি ধৰিলে। মোৰো চকু চলচলীয়া হৈ পৰিল।

**অধ্যায় : ২**

ৰ'দে পঢ়িছে। দিনক ৰাতি, ৰাতিক দিন কৰি সি পঢ়িছে। আৰম্ভ হৈছে তাৰ জীৱনৰ নতুন অধ্যায়। আজিৰ পৰা প্ৰায় চাৰি বছৰমান আগতে নীলিমা বাইদেউহঁতৰ পৰা বিদায় লৈ আমি আহিছোঁ গুৱাহাটীলৈ। বাইদেৱে ৰখাব খুজিছিল যদিও মই নৰ'লোঁ। বাইদেউৰ ইমানদিনৰ

কষ্ট অথলেও যাব নিদিলোঁ। পঢ়ি-শুনি এজন দায়িত্বশীল মানুহ হৈ ৰ'দ উভতিব বুলি আশ্বাস দিলোঁ। গুৱাহাটীৰ দাঁতিতে এখন সৰুকৈ চাহৰ দোকান দি ৰ'দক পঢ়ুৱাবলৈ যত্ন কৰিলোঁ।

সময়ৰ শৰ তীব্ৰগতিত আগ বাঢ়িছে। ৰ'দো ডাঙৰ হৈছে মোৰ চাহৰ দোকানখনলৈও অহা মানুহৰ সংখ্যাও বাঢ়িছে। এনেকৈ গৈ গৈ এদিন...

: বাইদেউ... ঐ বাইদেউ... হঠাৎ ৰ'দে মোৰ হাতখন জোকাৰি দিলে।

: হা ঃ


: ঘড়ীত কেই বাজিল দেখিছনে তই?

হঠাৎ মনত পৰিল মোৰ চাহকাপ ! হে প্ৰভু ! সেই ৰাতিপুৱা ৬ বজাৰ পৰা ১০ বজালৈ এনেকে বহি আছোঁ? ইফালে সি অফিচলৈ যাবলৈ ওলালেই। মইহে অতীতৰ অধ্যায় খুলি লৈ সময়বোৰ মিছাই নষ্ট কৰিলোঁ। এনেতে ৰ'দৰ ফালে চকু গ'ল। ক'লা কোট, ক'লা ট্ৰাউজাৰ পিন্ধি এইটো মোৰেই ভাইটিনে? হয়, এইজন মোৰেই ভাইটি। ❖

# প্লাষ্টিক ভক্ষণকাৰী ৰবট মাছ

**■ সংগ্ৰহ : কংকণা ডেকা**
দশম শ্ৰেণী

দেখিবলৈ ই মাছৰ দৰে। পানীত এৰি দিলেও ই মাছৰ দৰেই সাঁতুৰিব পাৰে। কিন্তু ই কোনো জীৱন্ত মাছ বা জলচৰ জীৱ নহয়। যন্ত্ৰৰে তৈয়াৰী ইয়াৰ শৰীৰ। পানীক প্লাষ্টিক কণাৰ প্ৰদূষণৰ পৰা ৰক্ষা কৰিবলৈ ইংলণ্ডৰ ছাৰে বিশ্ববিদ্যালয়ৰ এজন গৱেষক ছাত্ৰই এই মাছসদৃশ ৰবটটো তৈয়াৰ কৰি উলিয়াইছে। উল্লেখ্য যে, প্লাষ্টিকৰ অত্যন্ত ক্ষুদ্ৰ ক্ষুদ্ৰ কণা, যাক মাইক্ৰ'প্লাষ্টিক বুলি জনা যায়, এইবোৰে ক্ৰমে চিন্তা বৃদ্ধি কৰিছে স্বাস্থ্যবিদসকলৰ। এই প্লাষ্টিক কণা আকাৰত ইমানেই ক্ষুদ্ৰ যে সেইবোৰৰ অধিকাংশই পানী খোৱাৰ সময়ত চকুত নপৰে। ফলত দেখা নোপোৱাকৈ পানীৰ লগত শৰীৰত প্ৰবেশ কৰি স্বাস্থ্যৰ ক্ষতি কৰে। ছাৰে বিশ্ববিদ্যালয়ত তৈয়াৰ কৰা মাছটোৱে পানীক এনে ক্ষুদ্ৰ প্লাষ্টিক কণাৰ পৰা মুক্ত কৰিব পাৰে বুলি দাবী কৰিছে ৰবটটোৰ স্ৰষ্টাই। মাইক্ৰ'প্লাষ্টিকৰ একো একোটা কণাৰ ব্যাস হ'ব পাৰে অতি বেছি ০.২ ইঞ্চি বা ৫ মিলিমিটাৰ। খালী চকুৰে তাক সহজে দেখাটো সম্ভৱ নহয়। যন্ত্ৰচালিত ৰবট



মাছটোৱে সেই অসম্ভৱক সম্ভৱ কৰি তুলিব। পানীত এৰি দিলে মাইক্ৰ'প্লাষ্টিক মিহলি পানী পেটত ছেকি বিশুদ্ধ পানী বাহিৰ কৰে এই ৰবটটোৱে। ৰবটটোৰ নাম ৰখা হৈছে গিলবাৰ্ট। গিলবাৰ্টৰ শৰীৰৰ ভিতৰৰ গঠনো কম-বেছি পৰিমাণে মাছৰ দৰেই। ৰবট হ'লেও মাছৰ দৰেই তাৰ শৰীৰত যান্ত্ৰিক কাণ আছে। সেই কাণৰ ছেকনিতেই মাইক্ৰ'প্লাষ্টিক ছেকি জল পৰিশোধন কৰে গিলবাৰ্টে। ❖

*(উক্ত তথ্যখিনি 'দৈনিক অসম' নামৰ বাতৰিকাকতখনৰ পৰা সংগ্ৰহ কৰা হৈছে।)*

# উত্তৰ গুৱাহাটীলৈ গৈছিলোঁ

■ অভিৰূপ আকাশ শাণ্ডিল্য
ষষ্ঠ শ্ৰেণী



বহুদিন ক'লৈকো ফুৰিবলৈ যোৱা নাছিলোঁ। সেয়ে বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ লগে লগে উত্তৰ গুৱাহাটীলৈ দৌৰ মাৰিলোঁ। ইয়াত বহুতো তীৰ্থস্থান আছে। যাওঁতে আমি ফেৰীৰেই গ'লোঁ। ঘূৰি আহোঁতে ৰ'প-ৱেৰে আহিম। দুয়োবিধৰেই সোৱাদ লোৱা হ'ব।

পুৱা ১০ বজাত মাজগাঁও ঘাটত ফেৰীত উঠিলোঁ। জাহাজেৰে আমি উত্তৰ গুৱাহাটীৰ জাহাজঘাটত নামিলোঁ। তাৰ পৰা খুৰা এজনে আমাক গাড়ীৰে উত্তৰ গুৱাহাটীৰ বিভিন্ন দৌল-দেৱালয় দেখুৱাবলৈ লৈ গ'ল।

প্ৰথমতে আমি আউনীআটী সত্ৰলৈ গ'লোঁ। এই সত্ৰৰ পৰিবেশ বৰ মনোমোহা। চৌপাশে গছ-গছনিৰে ভৰা।

উত্তৰ গুৱাহাটীৰ এক প্ৰসিদ্ধ স্থান অশ্বক্ৰান্ত দেৱালয়। ইয়াত সম আয়তনৰ দুটা মন্দিৰ আছে। এটা ব্ৰহ্মপুত্ৰৰ পাৰৰ পাহাৰৰ নামনি ভাগত, আনটো পাহাৰৰ ওপৰভাগত অৱস্থিত। কিংবদন্তি অনুসৰি নৰকাসুৰক বধ কৰিবৰ বাবে শ্ৰীকৃষ্ণ কামৰূপলৈ আহোঁতে এই ঠাইডোখৰ অশ্ব বা ঘোঁৰা ক্লান্ত হোৱা বাবে এই অঞ্চলৰ নাম অশ্বক্ৰান্ত হয়। ১৭২০ খৃষ্টাব্দত আহোম স্বৰ্গদেউ শিৱ সিংহই এই মন্দিৰ নিৰ্মাণ কৰোৱাইছিল বুলি জনা যায়।

এইবাৰ আমি দৌলগোবিন্দ মন্দিৰলৈ গ'লোঁ। এই মন্দিৰটো চন্দ্ৰভাৰতী পাহাৰৰ নামনিত অৱস্থিত। ফাগুন মাহত কেইবাদিনীয়া কাৰ্য্যসূচীৰে ইয়াত দৌল উৎসৱ পালন কৰা হয়। ইয়াৰ উপৰি দৈনিক অগণন ভক্তই এই মন্দিৰত পূজা আগ বঢ়ায় আৰু তেওঁলোকক ভোগ আৰু প্ৰসাদ বিতৰণ কৰা হয়।

দৌলগোবিন্দ ভ্ৰমণৰ পাছত আমি দীৰ্ঘেশ্বৰী মন্দিৰলৈ গ'লোঁ। এই মন্দিৰটো আহোম ৰজা শিৱ সিংহই নিৰ্মাণ কৰোৱাইছিল। ইয়াত বহুতো শিলৰ ভাস্কৰ্য্য উদ্ধাৰ হৈছে। এই মন্দিৰ বছৰেকীয়া দুৰ্গা পূজাৰ বাবে বিখ্যাত।

তদুপৰি উত্তৰ গুৱাহাটীত ৰুদ্ৰেশ্বৰ দেৱালয়, মণিকৰ্ণেশ্বৰ দেৱালয়, কানাই বৰশীবোৱা শিলালিপি আদি উল্লেখযোগ্য স্থানো আছে। এইবোৰ আমাৰ চোৱা নহ'ল যদিও পাছলৈ চাম বুলি মনতে ভাবি থ'লোঁ।

উভতি আহোঁতে আমি ৰ'প-ৱেৰে আহিলোঁ। তলত পাহাৰত লুকাই যাব ধৰা হেঙুলীয়া বেলিটো দেখি কি যে ভাল লাগিছিল ! ওপৰৰ পৰা ব্ৰহ্মপুত্ৰৰ মাজত থকা উমানন্দ দ্বীপটো দেখা গৈছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চূড়াটো, শুক্ৰেশ্বৰ দেৱালয় আদি ওপৰৰ পৰা দেখি বৰ স্ফূৰ্তি পাইছিলোঁ। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (এপ্ৰিল)

১। বেটছমেনগৰাকীয়ে ইনিংছৰ প্ৰথম বলতেই আউট হ'লে তাকে 'গ'ল্ডেন ডাক' বোলে।

২। ৰাধা গোবিন্দ বৰুৱা ৩। নীলম সঞ্জীৱ ৰেড্ডী ৪। দিলীপ কুমাৰ ৫। ছেমছাং

# আকাশ

■ নিচান প্ৰতীম ভৰদ্বাজ
ষষ্ঠ শ্ৰেণী

দিনৰ আকাশত
চৰাইবোৰ উৰে
ৰাতিৰ আকাশলৈ
জোনবাই আহে।
জোনবাইৰ সৈতে
তৰাবোৰ থাকে
জোনবাই দেখিলে
ইমান ধুনীয়া লাগে।
তৰাবোৰৰ সৈতে
ধেমালি কৰে
হাতেৰে চুই চাবলৈ
বৰ মন যায়।
আনি দিয়া দেউতা
মোক এতিয়াই। ❖

# মোৰ মৰমৰ পখিলা

■ বৰষা পাঠক
ষষ্ঠ শ্ৰেণী

মোৰ মৰমৰ পখিলা
উৰা তুমি সদায় নীলা আকাশত,
ফুলৰ পাহিত পৰি কিয় খোৱা ৰেণু ৰস?
তুমি হ'লা ৰং-চঙীয়া
মই হ'লোঁ ফুটফুটীয়া
মই কিন্তু তোমাৰ দৰে হ'ব নোৱাৰোঁ পখিলা,
তুমিনো কিয় একেলগে ইমান মানুহৰ মন হৰিলা?
অ' মোৰ মৰমৰ পখিলা। ❖

# পঢ়াশালি

■ আয়ুষ কুমাৰ দাস
সপ্তম শ্ৰেণী

যোৱা যোৱা অকণিহঁত
পঢ়াশালিলৈ যোৱা,
বৰ মানুহ হ'বলৈ নজনা জানিবলৈ
ফলি-পুথি লোৱা
লিখা-পঢ়া নকৰা যদি
কোনো মূল্য নাই,
অশিক্ষিত হ'লে বাটে-পথে
লাজ অপমান পায়।
চুৰেণৰ পুতেক পঢ়াশালিত নপঢ়ি
হ'ল গভাইত চোৰ
বাটে-ঘাটে খাই ফুৰে
কিল ভুকু গোৰ।
নয়নৰ পুতেক পঢ়াশালিত পঢ়ি
হ'ল পুলিচ।
চুৰেণৰ পুতেকক থানাত ভৰাই
দিলে কিযে মালিচ।
সময় থাকোঁতে তোমালোকে
ম'বাইলটো এৰা
ডাঙৰ মানুহ হোৱা যদি
পঢ়া-শুনাত ধৰা। ❖



**কিতাপৰ নাম : বিদেশী পৰিব্ৰাজকৰ দৃষ্টিত ভাৰত**

**লেখকৰ নাম : কে. চি. খান্না** **প্ৰকাশক : নেছনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া**

**প্ৰথম প্ৰকাশ : ১৯৭২ চন** **মূল্য : ২০.০০ টকা**




এই কিতাপখন পঢ়ি মই কিছু নজনা কথা জানিলোঁ। বিদেশী পৰিব্ৰাজকৰ ভিতৰত মই মেগাস্থেনিছ আৰু হিউৱেন চাঙৰ কথা জানিছিলোঁ। কিন্তু মই এই কিতাপখনৰ পৰা ফাহিয়েন, আলবেৰুণী আদি আন বিদেশী পৰিব্ৰাজকৰ বিষয়ে জানিলোঁ। মেগাস্থেনিছে 'ইণ্ডিকা' নামৰ পুথিখনত আমাৰ দেশ আৰু মানুহৰ বিষয়ে বহুতো কথা লিখিছে। তাতে তেওঁ আমাৰ দেশৰ দুখন প্ৰধান নদী গংগা আৰু সিন্ধুৰ বিষয়ে উল্লেখ কৰি গৈছে। বাৰিষা কালত হোৱা বানপানীৰ সময়ছোৱাৰ বাহিৰে এই দুয়োখন প্ৰধান নদী আৰু এইবিলাকৰ উপনদীসমূহত নাও চলাব পৰা গৈছিল। ইয়াৰ পৰা বুজা যায় যে সেই সময়ত আজিকালিতকৈ জলপথৰ ব্যৱহাৰ বেছি আছিল। ভাৰতৰ মাটিত গজা অসংখ্য গছ-গছনিয়েও মেগাস্থেনিছৰ মনোযোগ আকৰ্ষণ কৰিছিল। মেগাস্থেনিছে ভাৰতৰ জলবায়ু ভাল বুলি মন্তব্য কৰি গৈছে। ভাৰতৰ সাৰুৱা মাটিত বছৰত দুটা খেতি হৈছিল। শীতকালত ঘেঁহু, বাৰ্লি, মাহ আদিৰ খেতি কৰা হৈছিল আৰু বাৰিষা কালত কৰা হৈছিল শণ, কণীধান, তিল আৰু ধানৰ খেতি। বনৰীয়া জীৱ-জন্তুৰ বিষয়েও তেওঁ বৰ্ণনা দি গৈছে। পূব ভাৰতৰ বলী আৰু পৰাক্ৰমী বাঘ বুলি মেগাস্থেনিছে বৰ্ণনা কৰা বাঘবিলাকেই সম্ভৱতঃ 'ৰয়েল বেংগল টাইগাৰ' বা ঢেঁকীয়াপতীয়া বাঘ। ভাৰতৰ মানুহবিলাকৰ বিষয়ে বৰ্ণনা কৰি মেগাস্থেনিছে কৈছে যে ভাৰতীয়সকল সাধাৰণতে ওখ আৰু লাহী আছিল। তেওঁলোকৰ বৰণ ক'লা আৰু বেছিভাগ মানুহেই বগা কপাহী সাজ-পোছাক পিন্ধিছিল। মেগাস্থেনিছৰ দিনত আমাৰ ভাৰতত জাতিভেদ প্ৰথাও গঢ় লৈ উঠিছিল। ইয়াৰ বাহিৰেও মেগাস্থেনিছে আৰু বহু কথা লিখি থৈ গৈছে। যেনে শাসন ব্যৱস্থা, মুদ্ৰাৰ প্ৰচলন ইত্যাদি।

মেগাস্থেনিছৰ ৭০০ বছৰৰ পাছত চীন দেশৰ বৌদ্ধ সন্ন্যাসী ফাহিয়েন ভাৰতলৈ আহে। মেগাস্থেনিছৰ নিচিনা ফাহিয়েনৰ বৌদ্ধ ৰাজ্যসমূহৰ বৃত্তান্ত নামৰ পুথিখনে আমাক ১৫০০ বছৰৰ আগৰ ভাৰতবৰ্ষৰ বিষয়ে জনাত বহুতো সহায় কৰে। মই এই কিতাপখনৰ পৰা পুৰণি ভাৰতৰ মঠ-মন্দিৰৰ বিষয়ে জানিলোঁ।

হিউৱেন চাং চীনৰ পৰা আহিছিল। সুদীৰ্ঘ কাল ভাৰত ভ্ৰমণ কৰি তেওঁ সেই বিবৰণ 'Travels' বা 'Records of Western Lands' নামৰ পুথিত লিখি গৈছে। হিউৱেন চাঙৰ টোকাৰ পৰা বুদ্ধদেৱৰ সৈতে জড়িত শ্ৰাৱস্তী, কপিলাবস্তু, কুশীনগৰ, বাৰাণসী, সাৰনাথ, গয়া বৈশালী, পাটলিপুত্ৰ, ৰাজগৃহ আদি তীৰ্থস্থানৰ বিষয়ে জানিলোঁ। আৰু জানিলোঁ যে বাৰাণসী মহানগৰীৰ বেছিভাগ মানুহে শিৱ পূজা কৰিছিল। নালন্দা গোটেই ভাৰতৰে শিক্ষাৰ কেন্দ্ৰ আছিল। হিউৱেন চাঙে লিখি গৈছে যে, তিৰোতাসকলক দ্বিতীয়বাৰৰ বাবে বিয়া দিয়া নহৈছিল। ৰজা অশোকে প্ৰায় ৮৪,০০০ হাজাৰ স্তূপ নিৰ্মাণ কৰিছিল বুলি জনা যায়।

আবু ৰায়হান নামৰ এজন মুছলমান পণ্ডিত প্ৰায় এহাজাৰ বছৰৰ পূৰ্বে ভাৰতলৈ আহিছিল। আলবেৰুণী নামেৰে এওঁ সাধাৰণতে জনাজাত। ভাৰতৰ ধৰ্মসমূহ আৰু সাহিত্যিক আৰু বৈজ্ঞানিক পৰম্পৰাসমূহ বৰ্ণনা কৰাই আলবেৰুণীৰ প্ৰধান উদ্দেশ্য আছিল। এই টোকাটোৰ পৰা মই এটা অদ্ভুত জন্তুৰ নাম জানিলোঁ। জন্তুটোৰ নাম হ'ল শাৰভ। আলবেৰুণীয়ে লিখিছিল যে, ভাদাউট নামৰ মৰা জন্তুৰ মাংস খোৱা প্ৰাণীটো সকলোতকৈ হীন শ্ৰেণীৰ আছিল। ইমানখিনি কথা মই 'বিদেশী পৰিব্ৰাজকৰ দৃষ্টিত ভাৰত' নামৰ কিতাপখনৰ পৰা জানিলোঁ। ❖

■ **সাগৰিকা বৰ্মন**
সপ্তম শ্ৰেণী

# মানৱাধিকাৰ

■ অলকা গোস্বামী




বুনিয়াদী মানৱাধিকাৰ, পুৰুষ আৰু মহিলাৰ সম অধিকাৰৰ ধাৰণাত পুনৰ আস্থা প্ৰকাশ কৰিব। এই চনদে মানৱাধিকাৰৰ ভিতৰত মানুহৰ জীৱনৰ বাবে প্ৰয়োজনীয় সকলো দিশৰে অধিকাৰ উপভোগৰ কথা সামৰি লোৱা হৈছে।

অধিকাৰ শব্দটোৰ প্ৰকৃত অৰ্থ সম্পৰ্কত ভালেমান বিতৰ্ক আৰু বিভ্ৰান্তি আছে। পাছে মানৱাধিকাৰৰ সংজ্ঞাত এনে বিভ্ৰান্তি বিশেষ নাই। বিজ্ঞজনৰ প্ৰায় সকলোৰেই একমত যে মানৱাধিকাৰ হ'ল স্বচ্ছ, ন্যায়, প্ৰাপ্তিৰ, দাসত্বৰ বিৰুদ্ধে সুৰক্ষাৰ, গণহত্যাৰ প্ৰতিৰোধৰ, মুক্ত প্ৰকাশৰ তথা শিক্ষাৰ সুযোগ প্ৰাপ্তিৰ অধিকাৰ। ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন মানৱাধিকাৰ ঘোষণা পত্ৰ মতে সকলো মানুহে মুকলি হৈ থাকিবলৈ জন্ম লৈছে আৰু তেওঁলোকৰ আছে সমপৰিমাণৰ মৰ্য্যাদা আৰু অধিকাৰ।

মানৱাধিকাৰ আন্দোলনৰ আছে দীঘলীয়া ইতিহাস। যোড়শ শতিকাৰ স্পেনিছ চিন্তাবিদসকলৰ কেতবোৰ মন্তব্য বা অভিমতৰ মাজত এই ধাৰণাৰ প্ৰথম উল্লেখ লক্ষ্য কৰা যায়। এই বিষয়ৰ প্ৰথমৰ ফালৰ এটা আনুমানিক ব্যৱস্থা হ'ল ইংলিছ বিল অৰ ৰাইটছ। বৃটেইনৰ সংসদত এই বিলখন ১৬৮৯ চনত উত্থাপন কৰা হৈছিল। আমেৰিকা যুক্তৰাজ্যত ১৭৭৬ চনত আৰু ফ্ৰান্সত ১৭৮৯ চনত দুখন সদৃশ ঘোষণা-পত্ৰ জাৰি কৰা হৈছিল। জাতিসংঘ গঠন হ'বৰ পৰত ১৯১৯ চনত মানৱাধিকাৰ সুৰক্ষাৰ কথা কোৱা হৈছিল। অৱশ্যে আধুনিক ধাৰণাৰ মানৱাধিকাৰৰ সংজ্ঞা প্ৰথম দাঙি ধৰা হ'ল ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ ঘোষণা-পত্ৰত ১৯৪৮ চনত। বিষয়টো ৰাষ্ট্ৰসংঘৰ চনদত বিস্তৃতভাৱে উল্লেখ কৰা হয়। ইয়াৰ প্ৰস্তাৱনাত কোৱা হয় যে ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰবোৰে

দ্বিতীয় বিশ্বযুদ্ধত ঘটা অমানৱীয় ঘটনাৱলীয়ে প্ৰকৃততে মানৱাধিকাৰৰ ধাৰণাৰ বিকাশ ঘটাইছিল। ১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে মানৱাধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰত অনুমোদন জনায় আৰু প্ৰতি বছৰৰ ১০ ডিচেম্বৰ দিনটোক আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ দিৱস ৰূপে পালনৰ সিদ্ধান্ত ঘোষণা কৰে। এই ঘোষণাই আশা প্ৰকাশ কৰে যে 'ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰবোৰে মানৱীয়, নাগৰিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ প্ৰদান কৰিব, কাৰণ এই অধিকাৰবোৰ হ'ল বিশ্বৰ স্বাধীনতা, ন্যায় আৰু শান্তি প্ৰতিষ্ঠাৰ আধাৰ।' ৰাষ্ট্ৰসংঘৰ এই ঘোষণা-পত্ৰ যদিও বাধ্যতামূলকভাৱে পালনীয় নহয়, তথাপি সদস্য ৰাষ্ট্ৰবোৰে ইয়াৰ আধাৰতে নিজস্ব আইন-কানুন প্ৰণয়ন কৰে।

ৰাষ্ট্ৰসংঘই ১৯৪৮ চনৰ ১০ ডিচেম্বৰত ঘোষণা কৰিছিল মানৱাধিকাৰ সম্পৰ্কীয় এখন চনদ। ইয়াত এটা প্ৰস্তাৱনা, ৩০টা অনুচ্ছেদ আৰু কেইটামান উপ অনুচ্ছেদ আছে। চনদখনৰ প্ৰস্তাৱনাটোত কোৱা হৈছে যে এইখন সকলো মানুহৰ বাবে এখন সাধাৰণ দলিল। এই চনদৰ উদ্দেশ্য হ'ল বিশ্বৰ প্ৰতিজন ব্যক্তি আৰু প্ৰতিখন সমাজৰ শিক্ষা আৰু দীক্ষাৰ দ্বাৰা অধিকাৰ আৰু স্বতন্ত্ৰতাৰ প্ৰতি শ্ৰদ্ধা জগাই তোলা সকলো ৰাষ্ট্ৰৰে সাৰ্বভৌম ভূমিখণ্ডত বসবাস কৰা সকলো সম্প্ৰদায়ৰ মাজত ৰাষ্ট্ৰীয় নাইবা

আন্তঃৰাষ্ট্ৰীয় প্ৰগতিমূলক ব্যৱস্থাক স্বীকৃতি দিয়া আৰু পালনৰ ব্যৱস্থা কৰা।

চনদখনৰ প্ৰথম ৫টা অনুচ্ছেদ মানৱাধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ইয়াৰ অৰ্থ এইটো নহয় যে বাকী ২৫টা অনুচ্ছেদৰ কোনো গুৰুত্ব নাই—এইকেইটাও সমানে গুৰুত্বপূৰ্ণ, অৱশ্যে এই অনুচ্ছেদকেইটাৰ চৰ্তবোৰ কিছু ক্ষেত্ৰত জটিল। আজিৰ লেখাত চনদখনৰ প্ৰথম পাঁচটা অনুচ্ছেদ উদ্ধৃত কৰা হ'ল—

**প্ৰথম অনুচ্ছেদ :** জন্মগতভাৱে সকলো মানুহ মৰ্য্যাদা আৰু অধিকাৰত সমান আৰু স্বতন্ত্ৰ। তেওঁলোকৰ বিবেক আছে, বুদ্ধি আছে। তেওঁলোকে প্ৰত্যেকে প্ৰত্যেকক ভাতৃভাৱে ব্যৱহাৰ কৰা উচিত।

**দ্বিতীয় অনুচ্ছেদ :** (১) জাতি, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম, ৰাজনৈতিক বা আন কোনো মত ৰাষ্ট্ৰগত বা সমাজগত বৈষম্য, সা-সম্পত্তি, জন্ম নাইবা আন সামাজিক স্থান—এইবিলাকৰ কোনো পাৰ্থক্য নোহোৱাকৈ প্ৰতি ব্যক্তিৰে এই ঘোষণাত থকা অধিকাৰৰ স্বতন্ত্ৰতাৰ ওপৰত দাবী থাকিব।

(২) যি দেশ নাইবা ৰাজ্যত কোনো ব্যক্তিৰ জন্ম, সেই দেশ বা ৰাজ্যৰ ৰাজনৈতিক, আন্তঃৰাষ্ট্ৰীয় নাইবা সাৰ্বভৌমত্ব সম্বন্ধীয় অধিকাৰক কোনো বৈষম্য কৰা নহ'ব—সেই দেশ স্বাধীন বা পৰাধীন অথবা অনা-স্বায়ত্ত শাসিত যিয়ে নহওক।

**তৃতীয় অনুচ্ছেদ :** সকলো ব্যক্তিৰে নিজৰ জীৱন আৰু নিৰাপত্তাৰ অধিকাৰ থাকিব।

**চতুৰ্থ অনুচ্ছেদ :** কোনো ব্যক্তিয়ে আনক দাসত্বৰ বন্ধনত ৰাখিব বা দাস বৃত্তিত জড়িত কৰিব নোৱাৰিব। সকলো প্ৰকাৰৰ দাস প্ৰথা আৰু দাস বেপাৰ নিষিদ্ধ হ'ব।

**পঞ্চম অনুচ্ছেদ :** কোনো ব্যক্তি বা ৰাষ্ট্ৰই আন কোনোবা ব্যক্তি বা ৰাষ্ট্ৰক কোনো প্ৰকাৰৰ উৎপীড়ন কৰিব নোৱাৰিব।

ৰাষ্ট্ৰসংঘই মানৱাধিকাৰ চনদ ঘোষণা আৰু বলবৎ কৰাৰ সাতটা দশক অতিক্ৰম কৰিলে। এই সাতটা দশকত ৰাষ্ট্ৰসংঘৰ প্ৰায় সকলো সদস্য ৰাষ্ট্ৰই এই চনদৰ নীতি আৰু উদ্দেশ্যৰ পৰিপন্থী কাৰ্য্য কৰা অথবা এই অধিকাৰ আৰু স্বতন্ত্ৰতাৰ অপব্যৱহাৰ কৰাৰ পৰা আঁতৰি থকাৰ যত্ন কৰা পৰিলক্ষিত হৈছে। ঘটনাক্ৰমে এয়া হ'ল চনদখনৰ ১৯ নং অনুচ্ছেদৰ ৩ নং উপ-অনুচ্ছেদৰ মৰ্মাৰ্থ। প্ৰকৃততে চনদখনৰ ভৱিষ্যৎ দৃষ্টি আৰু কাৰ্য্যকাৰিতাৰ এয়াই প্ৰমাণ। ❖

নিবন্ধ

# একুৱাপ'নিকছ

■ সুজিৎ কুমাৰ নেওগ

শস্যৰ বৃদ্ধি আৰু বিকাশৰ বাবে প্ৰধানতঃ তিনিবিধ খনিজ পুষ্টিৰ প্ৰয়োজন হয়—নাইট্ৰ'জেন, পটাছিয়াম আৰু ফছফৰাছ। এইবিলাকক শস্যৰ শিপাই মাটিৰ পৰা শোষণ কৰে। কিন্তু কোনো উদ্ভিদে খনিজ পদাৰ্থ পোনে পোনে শোষণ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে, বায়ুত থকা নাইট্ৰ'জেন প্ৰথমে ৰাইজ'বিয়ামজাতীয় বেক্টেৰিয়াই মাটিত জমা কৰে। তাৰ পাছত এই নাইট্ৰ'জেন বিভিন্ন পদ্ধতিৰে নাইট্ৰেটলৈ ৰূপান্তৰিত হয় আৰু সেই ৰূপতহে উদ্ভিদে গ্ৰহণ কৰিব পাৰে। স্বাভাৱিকতেই এই নাইট্ৰ'জেন চক্ৰ অতি ধীৰ গতিৰে হয় আৰু ই শস্যৰ উৎপাদনত প্ৰভাৱ পেলায়। উৎপাদন বৃদ্ধিৰ বাবে ৰাসায়নিক সাৰ প্ৰয়োগ কৰা হয় যদিও ইবিলাকৰ পাৰ্শ্বক্ৰিয়া থাকে।

আজিকালি এনে পৰম্পৰাগত কৃষি পদ্ধতিৰ সলনি নতুন নতুন ব্যৱস্থাৰ উদ্ভাৱন কৰা হৈছে। হাইড্ৰ'প'নিকছ (Hydroponics) তাৰে এক উদাহৰণ। এই পদ্ধতিত মাটিৰ সলনি জলজ পৰিৱেশত শস্যৰ উৎপাদন কৰা হয়। উদ্ভিদৰ শিপাই ৰাসায়নিকভাৱে প্ৰস্তুত কৰা জলীয় দ্ৰৱৰ পৰা নিজৰ প্ৰয়োজনীয় পুষ্টিদ্ৰব্য আহৰণ কৰে।

ঠিক একেদৰে, পুখুৰী, বিল, জলাশয় আদিৰ সলনি কৃত্ৰিমভাৱে প্ৰস্তুত কৰা পুখুৰী নাইবা টেংক আদিত মাছ পোহা হয় আৰু লগতে শস্যৰ উৎপাদন কৰা হয়। এই দুয়োটা ব্যৱস্থা, হাইড্ৰ'প'নিকছ (য'ত শস্য উৎপাদন হয়) আৰু মাছৰ উৎপাদন একগোট কৰি একুৱাপ'নিকছ (Aquaponics) নামৰ নতুন পদ্ধতি সৃষ্টি কৰা হৈছে।

এই পদ্ধতিত কৃত্ৰিমভাৱে পুখুৰী, জলাশয় আদি প্ৰস্তুত কৰি মাছৰ পোনা মেলি দিয়া হয় আৰু শস্য ৰোপণ কৰা হয় (শস্য ৰোপণ মানে শস্যৰ পুলিটোৰ শিপাকেইডাল বুৰ যোৱাৰ ব্যৱস্থা কৰা)। এই পদ্ধতিত মাছকহে বাহিৰৰ পৰা খাদ্য যোগান ধৰা হয়। মাছে আহাৰ গ্ৰহণ কৰি বৰ্জিত দ্ৰব্য পানীত এৰি দিয়াৰ ফলত পানীখিনি এম'নিয়া সমৃদ্ধ হৈ পৰে। এই পানীখিনি পুখুৰী বা টেংক সংলগ্ন জৈৱ পৰিশ্ৰাৱকলৈ (biofilter) বোৱাই লৈ যোৱাৰ পাছত, তাত থকা বেক্টেৰিয়াই এম'নিয়া ভাঙি শস্যই গ্ৰহণ কৰিব পৰা ৰূপলৈ পৰিৱৰ্তিত কৰে। শস্যই এইবিলাক গ্ৰহণ কৰি পানীখিনি মাছৰ সহায়ক হোৱাকৈ পুনৰ পৰিষ্কাৰ কৰি তোলে। গোটেই পদ্ধতিটোত এই প্ৰক্ৰিয়াটো চক্ৰীয়ভাৱে ঘটি থাকে, য'ত মাছ আৰু শস্য দুয়োটাই নিজৰ বৃদ্ধি আৰু বিকাশৰ বাবে পুষ্টি লাভ কৰে। লগতে নাইট্ৰ'জেন সৃষ্টিকাৰী বেক্টেৰিয়াসমূহে গোটেই ব্যৱস্থাটোত অনুঘটকৰ দৰে কাৰ্য্য কৰে।

'একুৱাপ'নিকছ' ব্যৱস্থাটো যথেষ্ট বহনক্ষম উন্নত পদ্ধতি য'ত মাছ আৰু শস্যৰ উৎপাদন কেৱল এটা নাইট্ৰ'জেন উৎসৰ (যোগান ধৰা মাছৰ খাদ্য) পৰাই হয়। পৰম্পৰাগত খেতি পদ্ধতিত এক একৰ কৃষিভূমিৰ বাবে যিমান পানীৰ দৰকাৰ হয়, তাৰ মাত্ৰ ছয়ভাগৰ এভাগ ব্যৱহাৰ কৰিয়েই একুৱাপ'নিকছ পদ্ধতিৰে আঠগুণ বেছি শস্য উৎপাদন কৰিব পৰা যায়। লগতে মাটিবিহীন হোৱা হেতুকে অনিষ্টকাৰী বেক্টেৰিয়া, পোক-পতংগ আদি নাথাকে। এই পদ্ধতিত ৰাসায়নিক সাৰৰ অলপো প্ৰয়োগ



নহয়। অনুৰ্বৰ মাটি, মৰুভূমি আদিতো এই পদ্ধতিৰে সহজে অধিক শস্য উৎপাদন কৰিব পৰা যায়। এই পদ্ধতিত প্ৰকৃতিৰ 'নাইট্ৰ'জেন চক্ৰ'টোৰ নকল কৰা হয় বাবে ইয়াত খুব কম পৰিমাণে পেলনীয়া সামগ্ৰীৰ সৃষ্টি হয়।

অৱশ্যে এই কৃষি ব্যৱস্থাৰ কিছুমান দুৰ্বলতাও আছে। পৰম্পৰাগত ব্যৱস্থাতকৈ এই পদ্ধতিত উৎপাদন ব্যয় যথেষ্টখিনি বেছি। বহনক্ষম, অথচ কৃত্ৰিম পদ্ধতি হোৱা কাৰণেই নিয়মিত ব্যৱস্থাপনাৰ (যেনে, পানীৰ উষ্ণতা, pHৰ (কোনো এবিধ দ্ৰৱ কিমান ক্ষাৰকীয় বা আম্লিক তাক জোখা স্কেল) মান, দ্ৰবীভূত কাৰ্বন ডাই-অক্সাইড আৰু অক্সিজেনৰ পৰিমাণ আদিৰ নিয়মিত পৰ্য্যবেক্ষণৰ লগতে প্ৰযুক্তিগত আৰু জৈৱ-ৰাসায়নিক জ্ঞানৰ যথেষ্ট প্ৰয়োজন। বন্ধ পৰিবেশত হোৱা বাবে এই ব্যৱস্থাত শক্তিৰো অধিক প্ৰয়োজন হয়। মাছ আৰু শস্যৰ বাবে প্ৰয়োজনীয় পৰিবেশ কৃত্ৰিমভাৱে নিয়মিত বৰ্তাই ৰখাটো প্ৰত্যাহ্বানমূলক। অলপ হেৰ-ফেৰ হ'লেই গোটেই চক্ৰটোৰে ভাঙি পৰিব।

সাম্প্ৰতিক সময়ত জনসংখ্যা বৃদ্ধিৰ লগে লগে কৃষিভূমিৰ পৰিমাণ দ্ৰুতগতিত হ্ৰাস পাইছে, কিন্তু খাদ্যবস্তুৰ চাহিদা বৃদ্ধি পাইছে। এনে পৰিস্থিতিত একুৱাপ'নিকছ ব্যৱস্থাটো এক কাৰ্য্যক্ষম পদ্ধতি হৈ উঠিব পাৰে যিয়ে মানুহ আৰু প্ৰকৃতিৰ মাজৰ বহনক্ষম উন্নয়নত সমন্বয়ৰ সৃষ্টি কৰিব। ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (এপ্ৰিল, ২০২৩)

প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (পঞ্চম), আবিৰ হুছেইন (পঞ্চম গ), অভিজ্ঞান দীপক বৰগয়াৰী (পঞ্চম গ), তন্ময় ৰাজ চৌধুৰী (পঞ্চম গ), অনৰণ্যা গোস্বামী (সপ্তম ঘ), যুক্তা গোস্বামী (অষ্টম গ), হৰ্ষিতা মেধি (নৱম খ), সুপ্ৰতীক সঞ্জীৱ ডেকা (পঞ্চম ক), ময়ংক পাঠক (নৱম খ), কাৰ্ষ্ণায়ন কাশ্যপ (পঞ্চম ঘ)। ❖

# World's Only Floating Post Office

■ **Jyotirupa Das**




India is home to some of the most unique things in the world. One such unique place in India is 'Nehru Park Floating Post Office'. It is located in Srinagar in Kashmir. It is the only floating post office in the world. It sits elegantly on a huge houseboat in the beautiful Dal Lake. This 200 years old post office was started in the British era. It is still active in delivering letters. It offers all the postal services like sale of stamps, speed post, registered post etc. The postman delivers the letters by travelling in a shikara. Shikara is a type of wooden boat found on Dal Lake and other water bodies of Srinagar. It is used for multiple purposes including transportation. The post office houseboat has two small rooms. One room is used as the office and the other as a small philately museum. The small philately museum carries the philatelic history of the state postal department. This floating post office is a popular tourist attraction. Thousands of tourists from different parts of the world come to visit this post office just to send a postcard to their family and friends. ❖

# Spotted Lake



Spotted Lake is one of the most magnificent wonders of the world. This small lake is located in the northwest of Osoyoos in British Colombia's Okanagan valley. It covers an area of approximately 15 hectares with a maximum depth of around 3 metres. This lake is rich in a variety of minerals including calcium, sodium sulphates and magnesium sulphates. In winter and spring it looks like any other water body. But in summer when the water starts to evaporate, it leaves behind concentration of the minerals that form spots across the lake. Hundreds of large yellow, green and blue spots appear on the lake during the summer. The various colours depend on the concentration minerals in each pool.

The Spotted Lake is a closed body of water with no outflow or inflow from other water bodies. It is the most mineralized lake in the world. It has been considered as a sacred place for centuries by the indigeneous people of the Okanagan vally. It is also a protected cultural heritage site of the Okanagan people. ❖

# Great Expectations

■ Bhaktimala Saikia


***About the Author :*** *Charles John Huffam Dickens popularly known as Charles Dickens was an English writer and social critic. He lived from 1812 to 1870. He created some of the world's best-known fictional characters. Many believe that he is the greatest novelist of his era. His works were quite popular during his lifetime, and he was recognized as a literary genius. His novels and short stories are still read by many. A Christmas Carol, Oliver Twist, Great Expectations, and A Tale of Two Cities etc. are his most famous works.*

*Even though he did not have a formal education, he wrote many different kinds of works.*

*Great Expectations was published in 1861 and was one of Charles' most famous books. It is the story of Pip, a young orphan who grows up and learns about the world.*

***Main Characters :*** *Pip: an orphan and the protagonist; Miss Havisham: a wealthy spinster; Estella: Miss Havisham's adopted daughter; Magwitch: the convict who escaped from a ship; Mrs Jaggers: prominent London lawyer; Compeyson: another convict; John Wemmick: Jagger's clerk; Mrs Joe Gargery: Pip's hot tempered adult sister; Joe Gargery: Pip's brother in law and his first father figure; Mathew Pocket: Miss Havisham's cousin; Arthur Havisham: younger half brother of Miss Havisham; Mr Pumblechook: Joe's uncle and corn merchant; Orlick: blacksmith;*

As an infant, Philip Pirrip was unable to pronounce either his first name or his last; so he called himself "Pip". Now Pip, a young boy, is an orphan living in his sister's house in the marsh country in southeast England.




One evening, Pip sits in the isolated village churchyard, staring at his parents' tombstones. Suddenly, a horrific man, growling, dressed in rags, and with his leg in chains, springs out from behind the gravestones and grabs Pip. This escaped convict questions Pip harshly and demands that Pip brings him food and a file with which he can remove his leg irons.

Out of fear Pip runs to the house where he lives with his dominating sister and her kindl husband, the blacksmith Joe Gargery. The boy stores some bread and butter in one leg of his pants, but he is unable to get away quickly. ❖

# দ্বাদশৰ পাছত ভূগোল, পৰিসৰ আৰু কেৰিয়াৰৰ সুযোগ

■ জোনালী দেৱী

### ভূগোল

পৃথিৱীৰ ভূমিৰূপ, ভৌতিক গাঁথনি, মহাকাশ আদি বিভিন্ন ক্ষেত্ৰৰ শিক্ষাগত অধ্যয়নৰ এক বিষয় হৈছে ভূগোল। ভূগোল অধ্যয়নৰ দুটা প্ৰধান শাখা আছে : ভৌতিক ভূগোল (Physical Geography) আৰু মানৱ ভূগোল (Human Geography)। ভৌতিক ভূগোল পৃথিৱীৰ সৈতে সম্পৰ্কিত বিভিন্ন প্ৰাকৃতিক পৰিঘটনাৰ স্থানিক বৈশিষ্ট্যৰ অধ্যয়নৰ সৈতে জড়িত। আনহাতে, মানৱ ভূগোল হৈছে মানুহৰ আচাৰ-ব্যৱহাৰ আৰু প্ৰক্ৰিয়াৰ অধ্যয়ন আৰু লগতে তেওঁলোকে বসবাস কৰা ভৌতিক স্থানৰ সৈতে তেওঁলোক কেনেদৰে জড়িত, সেই ঠাইৰ প্ৰতি তেওঁলোকৰ অৱদান বা ক্ষতিৰ উৎসৰ এক অধ্যয়ন। ভৌতিক ভূগোলক প্ৰাকৃতিক বিজ্ঞানৰ ভিতৰত ধৰা হয়, আনহাতে মানৱ ভূগোল সামাজিক বিজ্ঞানত অন্তৰ্ভুক্ত। আমাৰ শিক্ষাৰ্থীসকলৰ যিসকল শিক্ষাৰ্থীয়ে আমি বাস কৰা পৃথিৱীখন আৰু ইয়াৰ সৈতে সম্পৰ্কিত বিভিন্ন প্ৰক্ৰিয়াৰ অধ্যয়নত আগ্ৰহী, তেওঁলোকে ভূগোলক তেওঁলোকৰ অধ্যয়নৰ ক্ষেত্ৰ হিচাপে বাছনি কৰিব পাৰে। শিক্ষাৰ্থীসকলে দ্বাদশৰ পাছত, ভূগোল বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমো অধ্যয়ন কৰিব পাৰে। ইয়াৰ উপৰি ভূগোল বিষয় নৱম-দশম শ্ৰেণীত ঐচ্ছিক বিষয় হিচাপে আৰু একাদশ-দ্বাদশ শ্ৰেণীত এক বিষয় হিচাপেও অধ্যয়নৰ সুবিধাও আছে।

আমাৰ দেশৰ প্ৰায়ভাগ বিশ্ববিদ্যালয়ে ভূগোল বিষয়ত স্নাতক পৰ্য্যায়ত বিএ, বিএছচি, আৰু স্নাতকোত্তৰ পৰ্য্যায়ত এমএ, এমএছচি আদি পাঠ্যক্ৰম আগ বঢ়াই আহিছে।

### ভূগোল বিষয়ত স্নাতক ডিগ্ৰীৰ বাবে যোগ্যতা

ভূগোল বিষয়ত স্নাতক ডিগ্ৰী অধ্যয়ন কৰিবলৈ আগ্ৰহীসকলে প্ৰথমে দ্বাদশৰ শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব। এই বিষয়ত নামভৰ্তিৰ বাবে সাধাৰণতে কোনো বাছনি পৰীক্ষা অনুষ্ঠিত নহয়, দ্বাদশ শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত প্ৰাপ্ত নম্বৰৰ শতাংশৰ ভিত্তিতেই সাধাৰণতে এই পাঠ্যক্ৰমত নামভৰ্তি হয় আৰু নামভৰ্তিৰ বাবে প্ৰয়োজনীয় নিম্নতম শতাংশ প্ৰতিষ্ঠান সাপেক্ষে বেলেগ বেলেগ।

### স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে যোগ্যতা

ভূগোল বিষয়ত স্নাতক ডিগ্ৰীধাৰীসকলে এই বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীত নামভৰ্তি কৰিব পাৰে। স্নাতকোত্তৰ ডিগ্ৰীত নামভৰ্তি কৰিবৰ বাবে শিক্ষাৰ্থীসকলে বিভিন্ন বিশ্ববিদ্যালয়সমূহে অনুষ্ঠিত কৰা প্ৰবেশ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

এনে কিছুমান বিশেষ বিশ্ববিদ্যালয়ৰ প্ৰবেশ পৰীক্ষাৰ তালিকাত আছে :

জেএনইউৰ প্ৰবেশ পৰীক্ষা, দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰবেশ পৰীক্ষা, সৰ্বভাৰতীয় প্ৰবেশ পৰীক্ষা, জামিয়া মিলিয়া ইছলামিয়া ভূগোল প্ৰবেশ পৰীক্ষা ইত্যাদি।

### কেৰিয়াৰৰ সম্ভাৱনা

শিক্ষাৰ্থীসকলৰ ভূগোল অধ্যয়নৰ ক্ষেত্ৰ অনুসৰি বহুতো কেৰিয়াৰৰ সুযোগ উপলব্ধ। এনে ক্ষেত্ৰৰ ভিতৰত আছে :

১। কৃষি বিশেষজ্ঞ (Agricultural Specialist), ২। মানচিত্ৰকাৰ (Cartographer), ৩। ডেমোগ্ৰাফাৰ (Demographer), ৪। ফৰেষ্ট মেনেজাৰ (Forest Manager), ৫। জিআইএছ আৰু ৰিম'ট ছেন্সিং বিশেষজ্ঞ (Geographic Information System and Remote Sensing Specialist), ৬। আঞ্চলিক আৰু নগৰ পৰিকল্পনাকাৰী (Regional and Urban Planners), ৭। নগৰ পৰিকল্পনাকাৰী (Urban Planner), ৮। জলবায়ু বিশেষজ্ঞ (Climatologist), ৯। পৰিৱেশ বিশেষজ্ঞ (Environment Manager), ১০। পৰিবহণ ব্যৱস্থাপক (Transportation Manager) আদি। ❖

# চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড’কু ১৯৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | | 6 | | | | | 5 | 9 |
| | | | | 4 | | 2 | | |
| | 7 | | | | | | | |
| | | 5 | 9 | 1 | | | 6 | |
| | 1 | 3 | | | | 8 | 9 | 4 |
| | | | 2 | | | | | 1 |
| 5 | | 8 | | | | | | |
| | | | | 3 | | | | 8 |
| | 4 | | | 6 | | 1 | | |

## চুড’কু ১৯২

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 2 | 5 | 3 | 4 | 7 | 8 | 1 | 6 | 9 |
| 4 | 1 | 6 | 9 | 3 | 5 | 2 | 7 | 8 |
| 9 | 8 | 7 | 6 | 1 | 2 | 3 | 5 | 4 |
| 8 | 7 | 2 | 3 | 5 | 9 | 4 | 1 | 6 |
| 1 | 6 | 4 | 2 | 8 | 7 | 9 | 3 | 5 |
| 5 | 3 | 9 | 1 | 6 | 4 | 8 | 2 | 7 |
| 6 | 2 | 8 | 5 | 9 | 3 | 7 | 4 | 1 |
| 7 | 4 | 1 | 8 | 2 | 6 | 5 | 9 | 3 |
| 3 | 9 | 5 | 7 | 4 | 1 | 6 | 8 | 2 |

### তোমালোকে জানানে?

## মূল্য সংযোজিত কৰ বা ভেলু এডেড টেক্স

ভেলু এডেড টেক্স (value added tax) একপ্ৰকাৰ পৰোক্ষ কৰ। পৰোক্ষ কৰৰ ভিতৰত ইয়েই আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু এই কৰৰ পৰিসৰেই আটাইতকৈ বেছি। উৎপাদিত দ্ৰব্যৰ ওপৰত এই কৰ আৰোপ কৰা হয়। যেতিয়া উৎপাদনকাৰীয়ে তেওঁলোকৰ উৎপাদিত পণ্য দ্ৰব্যৰ ওপৰত এই কৰ দিবলগীয়া হয়, তেতিয়া তাক আবকাৰী কৰ (excise tax) আৰু যেতিয়া এই কৰ খুচুৰা বিক্ৰেতাৰ পৰা ক্ৰেতাই বস্তু কিনোতে ক্ৰেতাজনৰ পৰা আদায় কৰা হয়, তেতিয়া তাক বিক্ৰী কৰ (sales tax) বুলি ক’ব পাৰি।

এজন উৎপাদনকাৰী বা উৎপাদনকাৰী কোম্পানীয়ে যেতিয়া কেঁচামাল ক্ৰয় কৰি তাৰ পৰা কোনো দ্ৰব্য প্ৰস্তুত কৰে, তেতিয়া প্ৰকৃততে সেই কেঁচামালৰ মূল্য তেওঁলোকে বঢ়াই তোলে। উদাহৰণস্বৰূপে, এক কিল’গ্ৰাম তীখা (কেঁচামাল) আৰু সেই পৰিমাণৰ তীখাৰ (পণ্যদ্ৰব্য) দামৰ পাৰ্থক্য আছে। উৎপাদন প্ৰক্ৰিয়াৰ জৰিয়তে সমান পৰিমাণৰ তীখাৰ মূল্য যিমান বাঢ়িল তাক কোৱা হয় সংযোজিত মূল্য (added value)। মূল্য সংযোজিত কৰৰ নিয়ম অনুসৰি উৎপাদনকাৰীয়ে এই সংযোজিত মূল্যৰ ওপৰতহে কৰ দিব লাগে। পণ্যদ্ৰব্যৰ মুঠ মূল্যৰ ওপৰত নালাগে। অৰ্থাৎ, কেঁচামালৰ বাবদ তেওঁ যি ব্যয় কৰিছিল কৰৰ পৰিসীমাৰ পৰা সেইটো বাদ দিব পাৰিব। অৱশ্যে তাৰ বাবে কেঁচামাল কিনাৰ প্ৰমাণ দেখুৱাব লাগিব। কৰ কৰ্তৃপক্ষই সেইবোৰ পৰীক্ষা কৰি প্ৰয়োজনীয় ৰেহাই দিব আৰু জমা দিবলগীয়া কৰৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰি দিব। এই কৰকে কোৱা হয় মূল্য সংযোজিত কৰ বা ‘ভেলু এডেড টেক্স’। ❖

# অসমৰ প্ৰাচীন শিলৰ সাঁকোসমূহ

■ মৌচুমী দেৱী



প্ৰাক্-আহোম আৰু আহোম যুগত নিৰ্মিত শিলৰ সাঁকোসমূহ অসমৰ ইতিহাস তথা আভিযান্ত্ৰিক স্থাপত্যৰ এক অন্যতম বৈশিষ্ট্য। এই সাঁকোসমূহ বিভিন্ন সময়ত আৰু ভিন ভিন ৰজাৰ দিনত নিৰ্মাণ কৰা হৈছিল। পাহাৰৰ শিলৰ লগতে স্থানীয়ভাৱে উৎপাদিত আৰু সহজলভ্য সামগ্ৰীৰ জৰিয়তে এই শিলৰ সাঁকোসমূহ নিৰ্মাণ কৰা হৈছিল। শিল-সাঁকোসমূহ নিৰ্মাণৰ ক্ষেত্ৰত বোকা শিল, চটীয়া শিল, লাঠিয়া শিলৰ লগতে হাতেৰে নিৰ্মিত ইটাৰ ব্যৱহাৰ হৈছিল। এই সময়ত আজিৰ দৰে চিমেণ্টৰ ব্যৱহাৰ নাছিল, এক বিশেষ প্ৰক্ৰিয়াৰে কিছুমান বিশেষ সামগ্ৰীৰ সহায়ত তৈয়াৰ কৰা 'কৰাল' (এক ধৰণৰ শিল-ইটা জোৰা লগাব পৰা আঠা) ব্যৱহাৰ কৰা হৈছিল।

প্ৰাক্-আহোম যুগৰ শিল-সাঁকোসমূহ এতিয়া পোৱা নাযায় অথবা ইয়াৰ উল্লেখ বহু কমসংখ্যক বুৰঞ্জীবিদেহে কৰিছে। মুছলমান ঐতিহাসিক মিহনাজউদ্দিনে বৰনদীৰ ওপৰত এখন শিল-সাঁকো থকাৰ কথা উল্লেখ কৰিছে। এই সাঁকোখন উত্তৰ গুৱাহাটীৰ পৰা ৮ মাইল উত্তৰ-পশ্চিমে ব্ৰহ্মপুত্ৰৰ উপনৈ বৰনদীৰ ওপৰত নিৰ্মাণ কৰা হৈছিল। ১৮৯৭ চনত হোৱা প্ৰবল ভূমিকম্পত এই সাঁকো সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হয়।

আহোমসকলৰ ৰাজত্বকালত সৰ্বমুঠ ১৩খন শিলৰ সাঁকো নিৰ্মাণ কৰা হৈছিল বৰ্তমান তাৰে মাত্ৰ ৩খন শিলৰ সাঁকোৰ বিষয়েহে ভালদৰে তথ্য পোৱা যায়। আহোম যুগৰ এখন অন্যতম শিল-সাঁকো হ'ল হাঁহচৰা শিল-সাঁকো। এই শিল-সাঁকো স্বৰ্গদেউ চুক্লেংমুং বা গড়গঞা ৰজাই নিৰ্মাণ কৰিছিল আৰু গড়গাঁৱৰ পশ্চিমে হাঁহচৰাত এই শিল-সাঁকো নিৰ্মাণ কৰা হৈছিল।

আহোম যুগৰ আন এখন প্ৰসিদ্ধ শিলৰ সাঁকো হ'ল নামদাঙৰ শিলৰ সাঁকো। এই সাঁকোখন ১৭০৩ খৃষ্টাব্দত স্বৰ্গদেউ ৰুদ্ৰ সিংহই নামদাং নদীৰ ওপৰত নিৰ্মাণ কৰিছিল। শিৱসাগৰ জিলাৰ সদৰৰ পৰা প্ৰায় ১৪ কিল'মিটাৰ আঁতৰত থকা গৌৰীপুৰ অঞ্চলৰ সমীপত এই শিল-সাঁকো অৱস্থিত আৰু বৰ্তমানে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ এই শিল-সাঁকোৰ ওপৰেদিয়েই গৈছে। এই সাঁকোৰ দৈৰ্ঘ্য ২০০ ফুট, বহল ২১ ফুট আৰু ওখ ৫.৬ ফুট।

দৰিকাৰ শিলৰ সাঁকো হৈছে আহোম যুগত নিৰ্মিত অন্য এখন শিল-সাঁকো। শিৱসাগৰ জিলাৰ দৰিকা নৈৰ ওপৰত স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত এই শিল-সাঁকো নিৰ্মাণ কৰা হৈছিল। ৯০৪ ফুট দীঘল, ১৪ ফুট বহল আৰু ১৬ ফুট ওখ এই সাঁকোখনে শিৱসাগৰ আৰু সোণাৰি নগৰ দুখনক সংযোগ কৰিছে। অন্য এখন শিলৰ সাঁকো হ'ল দিজৈখনা শিলৰ সাঁকো। আহোম ৰজা গদাধৰ সিংহৰ দিনত কেন্দুগুৰিৰ দিজৈখনা নদীৰ ওপৰত এই শিলৰ সাঁকো নিৰ্মাণ কৰা হৈছিল। দুটা শিলৰ স্তম্ভৰ ওপৰত বিশেষ ধৰণেৰে ইয়াৰ গাঁথনি নিৰ্মাণ কৰা হৈছিল। ইয়াৰ উপৰি আন এখন শিলৰ সাঁকোৰ উল্লেখ বুৰঞ্জীত পোৱা যায়। সেইখন হ'ল—স্বৰ্গদেউ ৰুদ্ৰ সিংহই নিৰ্মাণ কৰা ন-দুৱাৰ শিলৰ সাঁকো। বুৰঞ্জীবিদসকলৰ মতে অতি উন্নত গাঁথনিৰে এই শিল-সাঁকো ৰংঘৰ, তলাতল ঘৰলৈ যোৱাৰ বাটত নিৰ্মাণ কৰা হৈছিল।

আনহাতে উত্তৰ গুৱাহাটীতো এখন শিলৰ সাঁকো দেখিবলৈ পোৱা যায়। স্বৰ্গদেউ ৰুদ্ৰ সিংহই নিৰ্মাণ কৰা এই শিল-সাঁকো বৰ্তমান অক্ষত অৱস্থাত আছে।

প্ৰাক্-আহোম আৰু আহোম যুগৰ স্থাপত্য এই শিলৰ সাঁকোসমূহ অসম তথা অসমীয়াৰ এক সুকীয়া পৰিচয় বহন কৰে। ❖

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. তলত লুডুগুটি (বা যিকোনো ঘনক) এটাৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। অৱস্থানকেইটা চাই 6ৰ বিপৰীতে কি সংখ্যা থাকিব উলিওৱাঁ।




উত্তৰ : ঘনকৰ পিঠি ছয়খন আৰু চুক আঠটা। প্ৰতিটো চুকৰপৰা চালে তিনিখনকৈ পিঠি দেখা পোৱা যায়। অৱস্থানকেইটা লক্ষ্য কৰি ছয়খন পিঠিত চিহ্নিত সংখ্যাবোৰ পোৱা গ'ল—1, 2, 3, 4, 5, 6। এতিয়া কোনোবা দুটা অৱস্থানত একে দুটা সংখ্যা দেখা গৈছে নেকি চাব লাগে। দেখা গৈছে, প্ৰথমটো আৰু তৃতীয়টো অৱস্থানত 2 আৰু 4 সংখ্যা দুটা একে।

এতিয়া প্ৰথম অৱস্থানত 2 আৰু 4ৰ সৈতে আছে 6

তৃতীয় অৱস্থানত 2 আৰু 4ৰ সৈতে আছে 1

∴ 6ৰ বিপৰীত পিঠিত 1 আছে।

2. তলত এটা ঘনকৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। অৱস্থানসমূহ চাই C আখৰটোৰ বিপৰীত পিঠিত চিহ্নিত আখৰটো উলিওৱাঁ।




উত্তৰ : প্ৰথমটো অৱস্থানত A আৰু Bৰ সৈতে আছে C।


চতুৰ্থটো অৱস্থানত A আৰু Bৰ সৈতে আছে F।

∴ Cৰ বিপৰীত পিঠিত F আছে।

3. এজন মানুহে এটা ঘৰৰ দৰ্জা খুলি উত্তৰফালে গ'লে সোঁফালে এটা কোঠালী পায়। কোঠালীটোত সোমায়েই বাঁওফালে এখন খিৰিকী পোৱা যায়। যদি মানুহজনে খিৰিকীৰ ফালে মুখ কৰি থিয় হৈ থাকে, তেওঁৰ মুখখন কোনমুৱা হ'ব?

(a) উত্তৰফালে (b) পশ্চিমফালে (c) দক্ষিণফালে (d) পূবফালে





উত্তৰ :




উত্তৰৰ সোঁফাল পূব। মানুহজনে উত্তৰফালে গৈ সোঁফালে অৰ্থাৎ পূবফালে এটা কোঠালী পায়। পূবৰ বাঁওফাল উত্তৰ। গতিকে মানুহজনে পূবমুৱা হৈ কোঠালীটোত সোমাই বাঁওফালে অৰ্থাৎ উত্তৰফালে খিৰিকীখন পায়। এতিয়া খিৰিকীৰ ফালে মুখ কৰি থিয় হ'লে মানুহজনৰ মুখখন উত্তৰমুৱা হৈ থাকিব।

# মানসিক সামৰ্থ্য বিকাশ

4. মানুহ এজনে দক্ষিণলৈ কিছুদূৰ গৈ বাঁওফালে ঘূৰিলে। অলপ দূৰ গৈ আকৌ বাঁওফালে ঘূৰি অলপমান গ'ল। এইবাৰ সোঁফালে ঘূৰি কিছুদূৰ গৈ আকৌ সোঁফালে ঘূৰিলে। মানুহজনৰ গতিপথ তলৰ কোনটো হ'ব?

(a)  (b)  (c)  (d) 

**উত্তৰ :** শুদ্ধ উত্তৰটো হ'ব (b)।

**প্ৰশ্ন :**

1. তলত এটা ঘনকৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। অৱস্থানকেইটা চাই 3 বিপৰীতে কি সংখ্যা আছে উলিওৱাঁ।




(a) 1 (b) 2 (c) 4 (d) 5

2. তলত ঘনক এটাৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। অৱস্থানসমূহ নিৰীক্ষণ কৰি 5ৰ বিপৰীত পিঠিত কি সংখ্যা আছে উলিওৱাঁ।




(a) 2 (b) 3 (c) 4 (d) 6 (e) 7

3. এজন মানুহে এখন ঠাইৰপৰা 15 মিটাৰ পূবে গৈ সোঁফালে ঘূৰি 10 মিটাৰ গ'ল। আকৌ সোঁফালে ঘূৰি 15 মিটাৰ গৈ বাঁওফালে ঘূৰি 5 মিটাৰ গ'ল। তেওঁ আৰম্ভণি স্থানৰপৰা এতিয়া কিমান দূৰত আৰু কোন দিশত আছে?

(a) 25 মিটাৰ উত্তৰ (b) 15 মিটাৰ দক্ষিণ (c) 15 মিটাৰ উত্তৰ (d) 25 মিটাৰ দক্ষিণ

4. A আৰু Bয়ে এটা নিৰ্দিষ্ট স্থানৰপৰা যাত্ৰা আৰম্ভ কৰিলে। Aই উত্তৰফালে 3 কিমি. গৈ সোঁফালে ঘূৰি 4 কিমি. গ'ল। আনহাতে Bয়ে 5 কিমি. পশ্চিমে গৈ সোঁফালে ঘূৰি 3 কিমি. গ'ল। A আৰু Bৰ মাজত বৰ্তমান দূৰত্ব কিমান?

(a) 10 কিমি. (b) 9 কিমি. (c) 8 কিমি. (d) 6 কিমি.

উত্তৰসমূহ : 1) c 2) c 3) b 4) b

# স্মৰণীয় সময়, স্মৰণীয় ঘটনা

## (ভাৰতৰ স্বাধীনতাৰ ৭৫টা বছৰত)

■ অপৰ্ণা দেৱী

*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

**ছাইলেণ্ট ভেলী**



১৯৭০ চনত কেৰালাৰ বিদ্যুৎ পৰিষদে কুনথীপূজা নদীৰ ওপৰত এটা হাইড্ৰ-ইলেকট্ৰিক বান্ধ নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিলে। ছাইলেণ্ট ভেলীত সেই বান্ধ নিৰ্মাণ হ'ল যদিও বান্ধটোৱে কেইবা বৰ্গ কিল'মিটাৰ জোৰা সেউজীয়া অৰণ্যৰ সৌন্দৰ্য্য হ্ৰাস কৰিলে। বহুতো দুষ্প্ৰাপ্য জীৱ-জন্তুৰ আবাসভূমি সেই অৰণ্যবোৰ ধ্বংস হোৱাৰ আশংকা কৰি প্ৰায় সহস্ৰ জনসাধাৰণ, বিভিন্ন অনুষ্ঠান তথা সামাজিক মাধ্যমে প্ৰায় এটা দশক জুৰি ছাইলেণ্ট ভেলীক ৰক্ষাৰ বাবে প্ৰতিবাদ সাব্যস্ত কৰে। সেই প্ৰতিবাদৰ জোৰতে ১৯৮৬ চনত ছাইলেণ্ট ভেলী এখন ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্য্যৱসিত হ'ল। জনসাধাৰণৰ সদ্ ইচ্ছাই, সামগ্ৰিক চেষ্টাই প্ৰকৃতিৰ ৰম্যভূমি ছাইলেণ্ট ভেলীক ৰক্ষা কৰিবলৈ সমৰ্থ হ'ল।

**ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণ** : ইংৰাজীত নেছনেল গ্ৰীন ট্ৰিবিউনেল (National Green Tribunal) চমুকৈ এনজিটি (NGT) হ'ল এটা ৰাষ্ট্ৰীয় সংস্থা। ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে ২০১০ চনৰ সেউজ প্ৰাধিকৰণ আইনৰ অধীনত কৰ্মসূচী হাতত লয়। পৰিবেশ সংৰক্ষণকে ধৰি বনাঞ্চল আৰু প্ৰাকৃতিক সম্পদৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণ গঠন কৰা হয়। পাৰিবেশিক আইন উলংঘা হ'ব পৰা যিকোনো ধৰণৰ মানৱসৃষ্ট প্ৰকল্প, যিবোৰ প্ৰকল্পৰ পৰিবেশৰ ওপৰত বিৰূপ প্ৰভাৱ বিস্তাৰৰ সম্ভাৱনা থাকে বা প্ৰভাৱ বিস্তাৰ কৰে, সেইবোৰৰ সমাধান বিচাৰি নাগৰিকে সেউজ প্ৰাধিকৰণৰ ওচৰ চাপে। কেতিয়াবা পাৰিবেশিক আইন উলংঘা হ'লে নাগৰিকে সেউজ প্ৰাধিকৰণৰ জৰিয়তে ক্ষতিপূৰণো দাবী কৰিব পাৰে। বিগত বছৰবোৰত সেউজ প্ৰাধিকৰণে নিৰ্বনীকৰণ ৰোধ আৰু জলবিদ্যুৎবিভাগৰ বিভিন্ন প্ৰকল্প ৰূপায়িত হোৱাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

**ব্যাঘ্ৰ প্ৰকল্প** (Project Tiger)

জীৱ-জন্তু সংৰক্ষণ আৰু সুৰক্ষাৰ কাৰ্য্যসূচীসমূহৰ ভিতৰত এক অন্যতম কাৰ্য্যসূচী হ'ল ব্যাঘ্ৰ প্ৰকল্প। এই প্ৰকল্পটো ১৯৭৩ চনৰ এপ্ৰিল মাহত আৰম্ভ কৰা হৈছিল। প্ৰথমতে ঢেঁকীয়াপতীয়া বাঘ বা ৰয়েল বেংগল টাইগাৰৰ সংৰক্ষণৰ বাবে ব্যাঘ্ৰ প্ৰকল্পই কৰ্মসূচী গ্ৰহণ কৰিছিল। ব্যাঘ্ৰ প্ৰকল্পই হাতত লোৱা বিভিন্ন ব্যৱস্থাপনাৰ ভিতৰত বাঘৰ বাসস্থান নিৰাপদে ৰখাৰ ব্যৱস্থা অন্যতম। ২০১৮ চনৰ ব্যাঘ্ৰ পিয়ল (tiger census) অনুসৰি ভাৰতত থকা সৰ্বমুঠ বাঘৰ সংখ্যা আছিল ১৯৬৭। বৰ্তমান বাঘৰ সংখ্যা পূৰ্বৰ তুলনাত দুগুণ হৈছে। পৃথিৱীত একমাত্ৰ এটা প্ৰাণীক কেন্দ্ৰ কৰি হাতত লোৱা প্ৰকল্পসমূহৰ ভিতৰত 'ব্যাঘ্ৰ প্ৰকল্প'ক সংৰক্ষণৰ দিশৰ পৰা এটা অতি কৃতকাৰ্য্য প্ৰকল্প হিচাপে স্বীকৃত হৈছে।

**বন্যপ্ৰাণী সংৰক্ষণ আইন, ১৯৭২**

১৯৭২ চনত বন্যপ্ৰাণী সংৰক্ষণ আইনখন ভাৰত চৰকাৰে গ্ৰহণ কৰে। বনত থকা জীৱ-জন্তু, চৰাই আৰু উদ্ভিদৰ সুৰক্ষাৰ বাবে বন্যপ্ৰাণী সংৰক্ষণ আইনখনে ব্যৱস্থা গ্ৰহণ কৰে। আমাৰ দেশৰ পাৰিবেশিক অৱস্থা আৰু পাৰিপাৰ্শ্বিকতা বিনষ্ট নোহোৱাকৈ বন্যপ্ৰাণীক সংৰক্ষণ আৰু সুৰক্ষা প্ৰদান কৰাই বন্যপ্ৰাণী সংৰক্ষণ আইনৰ (১৯৭২ চন) মূল লক্ষ্য। সেই আইনখন অমান্য কৰাৰ বাবে নাগৰিকে জৰিমনা ভৰিবলগীয়া হয়। ❖

# ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (নিয়া)

■ মানসী বৰুৱা



ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা বা চমুকৈ নিয়া (National Investigation Agency, NIA) হৈছে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় সন্ত্ৰাসবাদবিৰোধী আইন প্ৰয়োগকাৰী সংস্থা। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত দেশৰ সমগ্ৰ ৰাজ্যৰে সন্ত্ৰাসবাদৰ লগত জড়িত অপৰাধৰ অনুসন্ধানৰ দায়িত্ব নিয়াই পালন কৰে। এই ক্ষেত্ৰত নিয়াক ৰাজ্য চৰকাৰসমূহৰ অনুমতিৰ আৱশ্যক নহয়। ২০০৮ চনৰ ২৬ নৱেম্বৰত মুম্বাইত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতেই সেই বছৰৰে ৩১ ডিচেম্বৰ তাৰিখে সংসদত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা আইন গৃহীত হয় আৰু তেতিয়াৰ পৰাই দেশত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ (নিয়া) কাম-কাজ আৰম্ভ হয়। সন্ত্ৰাসবাদী ক্ৰিয়া-কলাপৰ বিৰুদ্ধে দেশত ইতিমধ্যে কাৰ্য্যকৰী হৈ থকা চোৰাংচোৱা সংস্থাসমূহৰ দুৰ্বল স্থিতি তথা বিফলতাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে সন্ত্ৰাসবাদৰ লগত জড়িত ক্ৰিয়া-কলাপৰ অনুসন্ধানৰ বাবে এক বিশেষ ব্যৱস্থাৰ প্ৰয়োজনবোধ কৰি নিয়াৰ প্ৰতিষ্ঠা কৰে।

নিয়াৰ মুখ্য কাৰ্য্যালয় দিল্লীত অৱস্থিত। নিয়াৰ কেইবাটাও আঞ্চলিক শাখা হায়দৰাবাদ, গুৱাহাটী, কোচি, লক্ষ্ণৌ, মুম্বাই, ক'লকাতা, ৰায়পুৰ, জম্মু, চণ্ডীগড়, ৰাঁচী, চেন্নাই আৰু ইম্ফলত আছে। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত কাৰ্য্যপৰিচালনা কৰা নিয়াৰ সঞ্চালক প্ৰধান (Director General) হিচাপে বৰ্তমান কাৰ্য্যনিৰ্বাহ কৰি আছে জ্যেষ্ঠ আৰক্ষী সেৱা বিষয়া দিনকৰ গুপ্তাই।

আন্তঃৰাষ্ট্ৰীয় মানসম্পন্ন সেৱা আগ বঢ়োৱাৰ লক্ষ্যেৰে কাৰ্য্য পৰিচালনা কৰা নিয়াই সন্ত্ৰাসবাদ বিৰোধী আৰু ৰাষ্ট্ৰীয় সুৰক্ষা সম্পৰ্কীয় অন্যান্য অনুসন্ধানসমূহ সম্পাদনৰ বাবে উচ্চ প্ৰশিক্ষণযুক্ত এক শক্তিশালী কাৰ্য্যকৰী গোট গঠন কৰিছে। সন্ত্ৰাসবাদ সম্পৰ্কীয় যিকোনো তথ্যৰ ভঁৰাল হিচাপে গঢ়ি উঠা সংস্থাটোৰ দুটা মুখ্য কাৰ্য্য হৈছে—

- ৰাজ্যসমূহৰ লগতে বিভিন্ন সংস্থাসমূহক সন্ত্ৰাসবাদৰ লগত জড়িত সমস্যাসমূহৰ অনুসন্ধানত সহায় কৰা।
- দেশৰ সন্ত্ৰাসবাদ সম্পৰ্কীয় আইনসমূহ পৰ্য্যালোচনা কৰি সময়ে সময়ে পুনঃ মূল্যায়ন কৰা আৰু প্ৰয়োজনীয় পৰিবৰ্তনৰ বাবে পৰামৰ্শ প্ৰদান কৰা।

কেন্দ্ৰীয় চৰকাৰে ভাৰতবৰ্ষৰ যিকোনো অঞ্চলৰ অপৰাধমূলক কাৰ্য্যৰ অনুসন্ধানৰ দায়িত্ব নিয়াক প্ৰদান কৰিব পাৰে। এই ক্ষেত্ৰত নিয়াই ভাৰতীয় আৰক্ষী সেৱা (IPS), ভাৰতীয় ৰাজহ সেৱাৰ (IRS) বিষয়াসমূহক জড়িত কৰিব পাৰে।

ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা আইন, ২০১৯ [National Investigation Agency (Amendment) Act, 2019] অনুসৰি নিয়াই নিম্নোল্লিখিত অপৰাধসমূহৰো অনুসন্ধান কৰে—

- মানৱ সৰবৰাহকাৰী চক্ৰৰ অনুসন্ধান
- জাল নোটৰ প্ৰচলনৰ দৰে অপৰাধৰ অনুসন্ধান
- নিষিদ্ধ অস্ত্ৰৰ বিক্ৰী আৰু প্ৰস্তুতকৰণ সম্পৰ্কীয় অপৰাধৰ অনুসন্ধান
- বিস্ফোৰক সামগ্ৰী আইন, ১৯০৮ৰ অধীনত সংঘটিত অপৰাধসমূহৰ অনসুন্ধান
- ছাইবাৰ সন্ত্ৰাসবাদৰ অনুসন্ধান

- পাৰমাণৱিক সুবিধাৰ ক্ষেত্ৰত সংঘটিত অপৰাধৰ অনুসন্ধান
- দেশৰ বিৰুদ্ধে ঘোষিত যুদ্ধৰ অনুসন্ধান।

ৰাষ্ট্ৰীয় অনসুন্ধান সংস্থা আইন, ২০১৯এ আন্তঃৰাষ্ট্ৰীয় চুক্তি তথা বিদেশী ৰাষ্ট্ৰসমূহৰ আইনৰ আধাৰত ভাৰতবৰ্ষৰ বাহিৰত সংঘটিত সংবিধানৰ নিৰ্দিষ্ট অনুসূচীৰ অন্তৰ্গত অপৰাধসমূহৰ অনুসন্ধানৰ ক্ষমতা নিয়াক প্ৰদান কৰিছে। দেশৰ ভিতৰত সংঘটিত এনে অপৰাধসমূহৰ বিচাৰৰ দায়িত্বও কেন্দ্ৰীয় চৰকাৰে নিয়াক প্ৰদান কৰি আহিছে। আইনখনে এনে অপৰাধসমূহৰ নিষ্পত্তিৰ বাবে বিশেষ আদালত গঠন কৰাৰ অনুমতি কেন্দ্ৰীয় চৰকাৰক দিছে।

আন্তঃৰাষ্ট্ৰীয় অপৰাধী আৰক্ষী অনুষ্ঠান (The International Criminal Police Organisation–INTERPOL) আৰু ছৌডি চোৰাংচোৰা সংস্থাৰ (Saudi Intelligence Agencies) সহযোগত নিয়াই ২০১২ চনত বিশ্বৰ কুখ্যাত সন্ত্ৰাসবাদী আবু জুনডাল (Abu Jundal), আলিয়াছ আবু হামজা (Abu Hamza), ফাছি মহম্মদ (Fasih Muhammad) আৰু য়াছিন ভাটকলক (Yaseen Bhatkal–Indian Mujahideen) সফলভাৱে কৰায়ত্ত কৰে। ২০১৩ চনৰ ২৯ আগষ্টত নিয়াই সন্ত্ৰাসবাদী সংগঠন ভাৰতীয় মুজাহিদীনৰ দুগৰাকী জ্যেষ্ঠ সদস্যক বিহাৰৰ ইণ্ডো-নেপাল সীমান্তৰ পৰা কৰায়ত্ত কৰে।

জম্মু আৰু কাশ্মীৰৰ সন্ত্ৰাসবাদী কাৰ্য্যকলাপ নিৰ্মূল কৰাত নিয়াই সক্ৰিয় ভূমিকা পালন কৰি আহিছে। ২০১৯ চনৰ ১৮ জানুৱাৰীত নিয়াই সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ প্ৰধান হাফিজ ছাইদ আৰু হিজবুল মুজাহিদীনৰ প্ৰধান চৈয়দ চালাহউদ্দিনকে ধৰি মুঠ ১২ জন সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চাৰ্জচিট দাখিল কৰিছিল।

নিয়াই বৰ্তমানলৈ আগ বঢ়োৱা উচ্চমানসম্পন্ন, নিৰ্ভীক আৰু নিঃস্বাৰ্থ সেৱা তথা প্ৰচেষ্টাৰ বাবে জনসাধাৰণৰ আস্থা লাভ কৰিবলৈ সক্ষম হৈছে। ❖

অৰ্থনীতি

# আন্তৰ্জাতিক মুদ্ৰানিধি

■ **নৱজিৎ বৰুৱা**

কুৰি শতিকাৰ তৃতীয় দশকত দেখা দিয়া মহামন্দা অৱস্থা আৰু দ্বিতীয় বিশ্বযুদ্ধই বিশ্বৰ অৰ্থনীতিক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰাৰ সময়তে আন্তৰ্জাতিক বাণিজ্য আৰু আন্তৰ্জাতিক মুদ্ৰা ব্যৱস্থাৰ অৱস্থাও শোচনীয় হৈ পৰিছিল। সেয়েহে দ্বিতীয় মহাযুদ্ধৰ পাছত ১৯৪৪ চনৰ জুলাই মাহত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ব্ৰীটন উড্‌চত পৃথিৱীৰ মুঠ ৪৪ খন দেশৰ প্ৰতিনিধি লগ হৈ এক নতুন আন্তৰ্জাতিক মুদ্ৰাব্যৱস্থা গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্তৰ ফলশ্ৰুতিতে আন্তৰ্জাতিক মুদ্ৰানিধিৰ (IMF) জন্ম হয়। এই অনুষ্ঠান প্ৰধানকৈ বিশ্বৰ বিভিন্ন দেশসমূহৰ মাজত বিনিময়ৰ সুস্থিৰতা ৰক্ষা আৰু দেশসমূহৰ মাজত সহযোগিতা বৰ্তাই ৰাখিবৰ বাবেই গঢ়ি তোলা হৈছিল। যদিও ১৯৪৫ চনৰ ডিচেম্বৰ মাহতেই এই অনুষ্ঠান গঢ়ি তোলা হৈছিল, কিন্তু ইয়াৰ প্ৰকৃত কাম-কাজ ১৯৭৪ চনৰ পৰাহে আৰম্ভ হয়। ইয়াৰ মুখ্য কাৰ্য্যালয় আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনত অৱস্থিত।

মুদ্ৰানিধিৰ মূল উদ্দেশ্য তিনিটা। সেইকেইটা হৈছে—আন্তজাৰ্তিক বাণিজ্যৰ সম্প্ৰসাৰণ ঘটোৱা, বিনিময় হাৰৰ সুস্থিৰতা ৰক্ষা কৰি সদস্য দেশসমূহৰ মুদ্ৰাৰ বিনিময়ৰ জটিলতা দূৰ কৰি বিনিময়ৰ সহজ ব্যৱস্থা প্ৰৱৰ্তন কৰা আৰু বহুপাক্ষিক বাণিজ্য ব্যৱস্থাৰ সম্প্ৰসাৰণ কৰা। অৱশ্যে এই তিনিটা মূল উদ্দেশ্যৰ বাহিৰেও আৰু বহুকেইটা উদ্দেশ্য আছে।

মুদ্ৰানিধিৰ সকলোবোৰ নীতি-নিয়ম মানি চলিবলৈ

ইচ্ছা কৰা সকলো দেশেই মুদ্ৰানিধিৰ সদস্যপদ গ্ৰহণ কৰিব পাৰে। বৰ্তমান সময়ত মুদ্ৰানিধিৰ সদস্য-ৰাষ্ট্ৰৰ সংখ্যা ১৯০খন। এখন গৱৰ্ণৰমণ্ডলী আৰু এখন কাৰ্য্যবাহী পৰিচালক মণ্ডলীয়ে মুদ্ৰানিধিৰ কাম-কাজসমূহ পৰিচালনা কৰে। গৱৰ্ণৰমণ্ডলী এজন মুখ্য গৱৰ্ণৰ আৰু প্ৰতিখন দেশৰে এজনকৈ গৱৰ্ণৰক লৈ গঠিত। মুদ্ৰানিধিত ৫খন বিশেষ সদস্য ৰাষ্ট্ৰই ৫জন কাৰ্য্যবাহী পৰিচালক নিযুক্তি দিয়ে। সেই সদস্য ৰাষ্ট্ৰকেইখন হ'ল— আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলণ্ড, জাৰ্মানী, ফ্ৰান্স, জাপান আৰু চৌদি আৰব।

মুদ্ৰানিধিয়ে বিনিময় হাৰৰ সুস্থিৰতা ৰক্ষা, ঋণৰ সুবিধা, মুদ্ৰাৰ চাহিদা আৰু যোগানৰ মাজত সমতা ৰক্ষা, মুদ্ৰাৰ তাৰল্য ৰক্ষা, সুদৰ হাৰ নিৰ্দ্ধাৰণ, কাৰিকৰী সাহায্য প্ৰদান কৰা আদি কাৰ্য্য সম্পন্ন কৰে। এক কথাত ক'বলৈ গ'লে আন্তৰ্জাতিক মুদ্ৰানিধিয়ে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত অৰ্থনৈতিক সমতা আৰু ভাৰসাম্যতা ৰক্ষা কৰিবলৈ চেষ্টা কৰি আহিছে। আন্তৰ্জাতিক মুদ্ৰানিধিয়ে উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক উন্নয়নৰ ভেটি সুদৃঢ় কৰিবৰ কাৰণে বিপুল পৰিমাণৰ ঋণৰ সাহায্য আগ বঢ়ায়। ইয়াৰ উপৰি বিশ্ব বাণিজ্যৰ সম্প্ৰসাৰণ, আন্তৰ্জাতিক তাৰল্যৰ সম্প্ৰসাৰণ ঘটোৱা, বিনিময় হাৰৰ সুস্থিৰতা ৰক্ষা আদিৰ দ্বাৰা অন্যান্য দেশসমূহৰ লগতে উন্নয়নশীল দেশসমূহক অৰ্থনৈতিক সুস্থিৰতা প্ৰদান কৰাত আন্তৰ্জাতিক মুদ্ৰানিধিয়ে এক অনবদ্য ভূমিকা পালন কৰিছে।

কিন্তু ইমানবোৰ সুফল থকাৰ পাছতো কিছু ক্ষেত্ৰত



ইয়াৰ সীমাবদ্ধতা আহি পৰে। মুদ্ৰানিধি বিনিময় স্থিৰতা বৃদ্ধি আৰু সুশৃংখল বিনিময় ব্যৱস্থা বজাই ৰখাত সিমান কাৰ্য্যকৰী নহয়। তদুপৰি বৈদেশিক মুদ্ৰাৰ সীমাবদ্ধতা আঁতৰ কৰা মুদ্ৰানিধিৰ এক গুৰুত্বপূৰ্ণ উদ্দেশ্য যদিও সদস্য দেশবোৰে বিনিময় নিয়ন্ত্ৰণ আৰু একাধিক বিনিময় হাৰৰ পদ্ধতি অনুসৰণ কৰাৰ ফলত আন্তৰ্জাতিক ব্যৱসায়ত বিৰূপ প্ৰভাৱ পৰে। ইয়াৰ লগে লগে প্ৰচলিত উচ্চ সুতৰ হাৰো ইয়াৰ অন্য এক সীমাবদ্ধতা।

সি যিয়েই নহওক, দ্বিতীয় বিশ্বযুদ্ধৰ পাছত পৃথিৱীত যি অৰ্থনৈতিক মন্দাৱস্থাৰ সৃষ্টি হৈছিল, তাক দূৰ কৰাৰ ক্ষেত্ৰত আন্তৰ্জাতিক মুদ্ৰানিধিৰ অৱদান উল্লেখযোগ্য। কিছুমান কুফল আছে যদিও পৃথিৱীৰ প্ৰায়বোৰ উন্নয়নশীল দেশ ইয়াৰ বাবে উপকৃত হৈছে। সেয়েহে বিধ্বংসী বিশ্বযুদ্ধৰ পাছত গঠন হোৱা এই আন্তৰ্জাতিক অনুষ্ঠান বৰ্তমানেও সুস্থিৰভাৱে থিয় হৈ আছে, যাৰ পৰা লাভান্বিত হৈ আহিছে আমাৰ ভাৰতবৰ্ষৰ দৰে অনেক উন্নয়নশীল দেশ। ❖

## কুইজৰ উত্তৰসমূহ

১। পুৰুষোত্তম দাস। ২। ভিয়েনা (অষ্ট্ৰিয়াৰ ৰাজধানী)। ৩। আধাৰ নম্বৰ। ৪। চেলিম ডুৰানী। ৫। International Court of Justice। ৬। দুগ্ধ উৎপাদনৰ বিপ্লৱ। ৭। ৰাণী ভিক্টোৰিয়াৰ। ৮। গালিভাৰছ ট্ৰেভেলছ। ৯। আইপিএলৰ ইতিহাসৰ প্ৰথম 'ইমপেক্ট প্লেয়াৰ' তেওঁ। ১০। বিহু কুঁৱৰী। ১১। Artificial Intelligence (AI)। ১২। গুমৰাগ নৃত্য (মিছিং সকলৰ)। ১৩। ভাইব্ৰেণ্ট ভিলেজ আঁচনি। ১৪। ই এম ফৰ্ষ্টাৰ। ১৫। চি এন ৰাও। ১৬। আৰ্নেষ্ট হেমিংৱে।

# কুইজ

■ দীপাংকৰ কৌশিক

১। ‘শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উছৃৰ মধু আলোড়ন’—ব’হাগ বিহুৰ পতাকা উত্তোলনী গীত। এই গীতটোৰ কথা আৰু সুৰ কাৰ বাৰু?

২। বিশ্বৰ কোনখন দেশৰ ৰাজধানী চহৰখনৰ নামটোৰ অৰ্থ হৈছে White Fort? চহৰখনক ‘সংগীতৰ চহৰ’ বুলি জনা যায়।

৩। মহাৰাষ্ট্ৰৰ টেম্ভলি নামৰ এখন সৰু জনজাতীয় গাঁৱৰ মহিলা ৰঞ্জনা সোণাৱনে। ২০১০ চনৰ ২৯ ছেপ্টেম্বৰত তেওঁ কি লাভ কৰা প্ৰথম ভাৰতীয়ৰূপে পৰিগণিত হৈছিল?

৪। অৰ্জুন বঁটা লাভ কৰা দ্বিতীয়গৰাকী ক্ৰিকেটাৰ আছিল মনছুৰ আলী খান পাটাউডি। ১৯৬৪ চনত তেওঁ এই বঁটা লাভ কৰিছিল। ১৯৬১ চনত প্ৰথমজন ক্ৰিকেটাৰ হিচাপে কোনে অৰ্জুন বঁটা লাভ কৰিছিল?

৫। নগেন্দ্ৰ সিং—১৯৮৫ৰ পৰা ১৯৮৮ চনলৈ প্ৰথমগৰাকী ভাৰতীয় হিচাপে তেওঁ কোনটো পদত অধিষ্ঠিত হৈছিল?

৬। আমি ফ্লাড বুলি ক’লে বানপানীক বুজিম। ‘অ’পাৰেছন ফ্লাড’ কিন্তু বানপানীৰ সৈতে জড়িত নহয়। ১৯৭০ চনৰ ১৩ জানুৱাৰীত ভাৰতত আৰম্ভ হোৱা ‘অ’পাৰেছন ফ্লাড’ কি বাৰু?

৭। ১৮৪০ চনৰ ১ মে’ত বিশ্বৰ প্ৰথমটো ডাক টিকট প্ৰকাশ পাইছিল। নাম আছিল—পেনী ব্লেক। এই ‘পেনী ব্লেক’ত কাৰ ছবি আছিল?

৮। Travels into Several Remote Nations of the World—১৭২৬ চনৰ ২৮ অক্টো’বৰত প্ৰথম প্ৰকাশ পোৱা এখন বিশ্ববিখ্যাত গ্ৰন্থৰ প্ৰকৃত নাম আছিল এইটো। পাছত কিন্তু অন্য এটা নামেৰেহে গ্ৰন্থখন প্ৰকাশ হৈছিল। কি আছিল বাৰু নামটো?

৯। তুষাৰ দেশপাণ্ডে—২০২৩ চনৰ ইণ্ডিয়ান প্ৰিমিয়াৰ লীগত চেন্নাই ছুপাৰকিংছৰ হৈ খেলা এইজন ক্ৰিকেটাৰৰ বিশেষত্ব কি বাৰু?

১০। ১৯৭১ চনত গুৱাহাটীৰ লতাশিলৰ বিহুত জয়া শইকীয়া দুৰৰাই কোনটো খিতাপ প্ৰথমবাৰলৈ লাভ কৰিছিল?

১১। ১৯৫৫ চনত আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ডাৰ্টমাউথ সন্মিলনত জন মেককাৰ্থিয়ে কোনটো টাৰ্ম প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল?

১২। ঢোল, তাল, লানং বা বৰকাঁহ আৰু মাৰবং—কোনটো নৃত্যত এই কেইবিধ বাদ্য ব্যৱহাৰ কৰা হয়?

১৩। কিবিথু (Kibithu) অৰুণাচল প্ৰদেশৰ এখন ভিতৰুৱা গাঁও। ২০২৩ চনৰ ৭ এপ্ৰিলত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই গাঁওখনত কি বিশেষ আঁচনিৰ আৰম্ভণি কৰিছিল বাৰু?

১৪। ‘এ পেছেজ টু ইণ্ডিয়া’—এখন বিখ্যাত উপন্যাস। ১৯২৪ চনত প্ৰকাশিত উপন্যাসখন বৃটিছ ৰাজ আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামক লৈ লিখা হৈছিল। কোনে লিখিছিল বাৰু?

১৫। যোৱা ২৪ এপ্ৰিলত ৫০ বছৰীয়া জন্মদিন পালন কৰিলে মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰে। ভাৰতৰ সৰ্বোচ্চ সন্মান ভাৰত ৰত্ন লাভ কৰা তেওঁ হৈছে প্ৰথমগৰাকী খেলুৱৈ। ২০১৩ চনত কোনজন বিজ্ঞানীৰ সৈতে তেওঁক এই সন্মান আগ বঢ়োৱা হৈছিল?

**চিত্ৰ সংকেত**


১৬। ফটোখনৰ ব্যক্তিগৰাকী ন’বেল আৰু পুলিৎজাৰ বঁটা বিজয়ী। সাহিত্যিকগৰাকী কোন বাৰু? ❖



# যাদুকৰী বাস্তৱবাদ

■ নিশা দেৱী

যাদুকৰী বাস্তৱবাদ কি? ঠিক আছে কল্পনা কৰা, এগৰাকী ছোৱালীয়ে আৱিষ্কাৰ কৰিলে তাইৰ চকুপানীত ফুল সৰে; বিভিন্ন ৰঙৰ, বিভিন্ন প্ৰকাৰৰ। গতিকে তাই এখন ফুলৰ মালাৰ দোকান খুলিলে, য'ত তাই অহৰহ কান্দে আৰু বিভিন্ন ৰঙৰ, বিভিন্ন ধৰণৰ ফুলৰ মালা গাঁথি বিক্ৰী কৰে। সাহিত্যত ব্যৱহৃত এনে ধৰণৰ শৈলীকে যাদুকৰী বাস্তৱবাদ বোলা হয়। যাদুকৰী বাস্তৱবাদক ইংৰাজীত 'মেজিক ৰিয়েলিজম' (magic realism) বুলি কয়। 'মেজিক ৰিয়েলিজম' বা 'যাদুকৰী বাস্তৱবাদ' সাহিত্যৰ এটি জনপ্ৰিয় শৈলী। যাদুকৰী আৰু সাধাৰণ বাস্তৱৰ আশ্চৰ্য্যকৰ সংমিশ্ৰণেই সৰল অৰ্থত যাদুকৰী বাস্তৱবাদ। 'যাদুকৰী বাস্তৱবাদ'ৰ শৈলীত লিখা বহু গ্ৰন্থই ন'বেল, বুকাৰ আৰু পুলিৎজাৰ বঁটা পাবলৈ সক্ষম হৈছে। শেহতীয়াভাৱে বহু লেখকেই নিজৰ সৃষ্টিত এই শৈলী প্ৰয়োগ কৰা দেখা গৈছে। পাছে 'যাদুকৰী বাস্তৱবাদ' প্ৰয়োগ কৰি পাঠকক বিমোহিত কৰি তোলাটো ইমান সহজ নহয়। 'যাদুকৰী বাস্তৱবাদ' সাধাৰণ আৰু অসাধাৰণৰ এটি অতি সূক্ষ্ম সংমিশ্ৰণ। পাকৈত লেখকেহে ইয়াক ফলপ্ৰসূভাৱে প্ৰয়োগ কৰি নিজৰ সৃষ্টি আকৰ্ষণীয় কৰি তুলিব পাৰে।


মাৰ্কুৱেজ

সাহিত্যত 'যাদুকৰী বাস্তৱবাদ' এনেকুৱা এটা কল্পকাহিনী, য'ত দৈনন্দিন জীৱনৰ ফাঁকে ফাঁকে সোমাই আছে যাদু। কিন্তু লেখকৰ মনোযোগ যাদুত নাই, আছে বাস্তৱ কাহিনীত। যাদুৰ এই স্পৰ্শই চৰিত্ৰবোৰকহে চুই গৈছে। লেখকে কিন্তু অবিচলিতভাৱে বিশ্লেষণ কৰি গৈছে চৰিত্ৰবোৰৰ বাস্তৱ দিশবোৰক। যেন বাস্তৱক মেৰিয়াই ধৰি ৰখা যাদুৰ এই ৰঙীন সূতাডাল লেখকে দেখাই নাই। এই শৈলীত লেখকে অতি মনোযোগেৰে নিজৰ ৰচনাত যাদুৰ তত্ত্ব ব্যৱহাৰ কৰি যাব লাগিব আৰু একেটা সময়তে এই তত্ত্বৰ উপস্থিতিক সচেতনভাৱে আওকাণ কৰি যাব লাগিব।

'যাদুকৰী বাস্তৱবাদ'ৰ যাদুকৰ বুলি আমি যাক জানো তেওঁ হৈছে বিখ্যাত কলম্বিয়ান লেখক গ্ৰেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুৱেজ (Gabriel Garcia Marquez)। গাৰ্চিয়া মাৰ্কুৱেজৰ প্ৰায় প্ৰত্যেকখন উপন্যাসতেই 'যাদুকৰী বাস্তৱবাদ' শৈলী বিদ্যমান। তেনে তিনিখন বিখ্যাত উপন্যাস হৈছে—'ৱান হানড্ৰেড ইয়েৰছ অব চলিটিউদ' (One Hundred Years of Solitude), 'লৱ ইন দা টাইম অৱ ক'লেৰা' (Love in the Time of Cholera), 'অৱ লৱ এণ্ড আদাৰ দেমোনছ' (Of Love and other Demons)। 'যাদুকৰী বাস্তৱবাদ' সফলভাৱে প্ৰয়োগ কৰি পাঠকক বিমুগ্ধ কৰি ৰখা আন কেইজনমান লেখক হ'ল—ছলমান ৰুশ্বদী (Salman Rushdie), হাৰুকি মুৰাকামী (Haruki Murakami), ইজাবেল এলেন্দে (Isabel Allende), ফ্ৰেন্‌জ কাফকা (Franz Kafka) আৰু টনি মৰিছন (Toni Morrison)।

'যাদুকৰী বাস্তৱবাদে' কেৱল যাদুৰ কথাই নকয়। তেনেহ'লে 'হেৰী প'টাৰ' ছিৰিজো 'যাদুকৰী বাস্তৱবাদ' উপন্যাসৰ ভাগত পৰিব। 'হেৰী প'টাৰ' যাদুকৰী বাস্তৱবাদৰ উপন্যাস নহয়। 'যাদুকৰী বাস্তৱবাদে' বাস্তৱবাদৰ কথাই কয়, যি বাস্তৱৰ ডালত ফুলি থাকে দুই এপাহ যাদুৰ ফুল। ❖

# ভাৰতবৰ্ষৰ খাদ্য-সুৰক্ষা আৰু মানক প্ৰাধিকৰণ

■ ৰুণিমা শৰ্মা

বৰ্তমান সময়ত সমগ্ৰ ভাৰতবৰ্ষত খাদ্য সামগ্ৰীৰ লগত জড়িত এক গুৰুত্বপূৰ্ণ সংস্থা হৈছে খাদ্য-সুৰক্ষা আৰু মানক-প্ৰাধিকৰণ (Food Safety and Standards Authority of India, FSSAI)। সমগ্ৰ ভাৰতবৰ্ষতেই খাদ্য সামগ্ৰীৰ লগত জড়িত বিভিন্ন উদ্যোগ, অনুষ্ঠান-প্ৰতিষ্ঠান, দোকান-পোহাৰ আদিসমূহক অনুজ্ঞা প্ৰদানৰ লগত এই সংস্থাটো প্ৰধানকৈ জড়িত। অনুজ্ঞা প্ৰদানৰ সময়ছোৱাত সংস্থাটোৱে খাদ্যবস্তুৰ গুণাগুণ আৰু মানৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰে। এফএছএছএআইৰ অনুজ্ঞা অথবা লাইচেন্স লাভ নকৰা দোকান অথবা ব্যাৱসায়িক প্ৰতিষ্ঠানসমূহে আইনৰ দ্বাৰা দণ্ডনীয়ও হ'ব পাৰে। এফএছএছএআই হ'ল এক আইনী অনুষ্ঠান। এই অনুষ্ঠানটো স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ অধীনত প্ৰতিষ্ঠা হৈছিল। ২০০৬ চনত গৃহীত খাদ্য সুৰক্ষা আৰু মানক আইনৰ অধীনত এফএছএছএআই গঠন হৈছিল। এই অনুষ্ঠানটো প্ৰধানতঃ ভাৰতবৰ্ষৰ খাদ্যৰ সুৰক্ষা আৰু মানদণ্ড নিৰ্দ্ধাৰণৰ লগত জড়িত। সমগ্ৰ ভাৰতবৰ্ষত খাদ্যৰ সুৰক্ষা আৰু জনসাধাৰণৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অনুষ্ঠানটো প্ৰধানকৈ দায়বদ্ধ। খাদ্যৰ গুণাগুণ আৰু মান নিৰ্দ্ধাৰণ কৰি সুখাদ্য প্ৰদানৰ জৰিয়তে জনসাধাৰণৰ স্বাস্থ্য ৰক্ষা কৰাটোৱেই এই সংগঠনটোৰ প্ৰধান কাৰ্য্য।

২০০৮ চনৰ ৫ ছেপ্টেম্বৰ তাৰিখে এই সংগঠনটোৰ জন্ম হৈছিল। নতুন দিল্লীত ইয়াৰ মুখ্য কাৰ্য্যালয় অৱস্থিত। এফএছএছএআইৰ আঞ্চলিক কাৰ্য্যালয়সমূহ দিল্লী, গুৱাহাটী, মুম্বাই, ক'লকাতা, কোচিন আৰু চেন্নাইত অৱস্থিত। ৰাজেশ ভূষণ এএছএছএআইৰ বৰ্তমানৰ চেয়াৰপাৰছন আৰু শ্ৰীগণজি কামালা ভি ৰাও এই সংগঠনৰ মুখ্য কাৰ্য্যবাহী বিষয়া। সংগঠনটোৰ অধীনত সমগ্ৰ ভাৰতবৰ্ষতেই বহুকেইটা লেবৰেটৰী স্থাপন হৈছে। এগৰাকী চেয়াৰপাৰছন আৰু ২২ গৰাকী সদস্যৰ দ্বাৰা এই সংগঠনটো গঠিত হৈছে। এএছএছএআইৰ প্ৰধান কাৰ্য্যসমূহ হৈছে—

১। খাদ্য সুৰক্ষাৰ বাবে প্ৰয়োজনীয় মানদণ্ড নিৰ্দ্ধাৰণ কৰা।
২। খাদ্যৰ মানদণ্ড নিৰ্দ্ধাৰণৰ বাবে লেবৰেটৰীসমূহক প্ৰয়োজনীয় নিৰ্দেশাৱলী প্ৰদান কৰা।
৩। কেন্দ্ৰীয় চৰকাৰক বৈজ্ঞানিক উপদেশ আৰু কাৰিকৰী সমৰ্থন প্ৰদান কৰা।
৪। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত খাদ্যৰ মান উন্নত কৰাৰ ক্ষেত্ৰত অৱদান আগ বঢ়োৱা।
৫। সমগ্ৰ ভাৰতবৰ্ষত খাদ্যৰ সুৰক্ষা আৰু খাদ্যৰ মান উন্নত কৰাৰ বাবে সজাগতা বৃদ্ধি কৰা।
৬। খাদ্যবস্তুৰ মান উন্নত কৰাৰ বাবে নতুন জ্ঞানৰ প্ৰসাৰ কৰা।

এফএছএছএআইৰ অধীনত গাখীৰৰ সামগ্ৰী, তেল, ফল-মূল আৰু শাক-পাচলি, মাছ-মাংস, নিমখ, মা-মচলা, চাউল, আটা, ময়দা আদিকে ধৰি প্ৰায়বোৰ খাদ্যসামগ্ৰী অন্তৰ্ভুক্ত হৈছে।

এফএছএছএআইয়ে প্ৰধানকৈ তিনি ধৰণৰ অনুজ্ঞা প্ৰদান কৰে। সেয়া হ'ল পঞ্জীয়ন, ৰাজ্যিক লাইচেন্স, কেন্দ্ৰীয় লাইচেন্স। ২০২১ চনত এই সংস্থাই উদ্যোগসমূহৰ উৎপাদন, পেকেটিং, বিক্ৰী প্ৰক্ৰিয়া ইত্যাদি বিভিন্ন ক্ষেত্ৰত মানদণ্ড নিৰ্দ্ধাৰণ কৰিছে। ভাৰতবৰ্ষৰ খাদ্যৰ সুৰক্ষা আৰু মানদণ্ড নিৰ্দ্ধাৰণ কৰা এই সংস্থাৰ অধীনত বিভিন্ন আইন ৰচনা হৈছে আৰু বহুকেইটা বিভাগো গঠন হৈছে। ❖

# অপসৃয়মান দুৰ্গ—ঘৰ কুন্দৰ

■ কল্যাণী পাটগিৰি



মধ্যপ্ৰদেশৰ নিবাৰী জিলাৰ এখন সৰু গাঁও ঘৰ কুন্দৰ। এই গাঁৱতে ঘৰ কুন্দৰ নামৰ এটা দুৰ্গ আছে। অন্য দুৰ্গৰ তুলনাত ই যথেষ্ট বেলেগ। এইটো এটা আচৰিত দুৰ্গ। ইতিহাসবিদসকলে এই দুৰ্গটো ১৫০০ বছৰ পুৰণি বুলি বিশ্বাস কৰে। দুৰ্গটো চান্দেলাসকলৰ মুখ্য কাৰ্য্যালয় আৰু সামৰিক ঘাটি আছিল। চান্দেলা বংশৰ ৰজা যশোবৰ্মনৰ ৰাজত্বকালত ঘৰ কুন্দৰ দুৰ্গটো অধিক শক্তিশালী ৰূপত নিৰ্মাণ কৰা হয়।

ঘৰ কুন্দৰ দুৰ্গটো এক হেক্টৰ এলেকাত বিস্তৃত হৈ আছে। ৯২৫ খৃষ্টাব্দৰ পৰা ১৫০৭ খৃষ্টাব্দলৈকে ঘৰ কুন্দৰ দুৰ্গক কেন্দ্ৰ কৰি বহুতো যুদ্ধ বা সংঘাত হোৱা দেখা গৈছিল। যশোবৰ্মা চান্দেলে (৯২৫-৯৪০ খৃষ্টাব্দলৈ) দক্ষিণ-পশ্চিম বুণ্ডেলখণ্ড জয় কৰাৰ পাছত এই দুৰ্গটো নিৰ্মাণ কৰিছিল। পৰৱৰ্তী সময়ত এই দুৰ্গ খাংসকলে অধিকাৰ কৰে। দুৰ্গটোৰ প্ৰথম ৰহস্যময় কথাটো হ'ল এই দুৰ্গটো ১২ কিল'মিটাৰ মান দূৰৰ পৰা স্পষ্টভাৱে দেখা পোৱা যায় যদিও দুৰ্গটো থকা স্থানৰ ওচৰত উপস্থিত হ'লে ই সম্পূৰ্ণ অদৃশ্য হৈ যায়। প্ৰকৃততে দুৰ্গটোৰ চাৰিওফালে পাহাৰ আছে। সেয়ে মানুহ এজন আগ বাঢ়ি অহাৰ লগে লগে পাহাৰৰ টিঙবোৰ উঠি অহা যেন লাগে আৰু দুৰ্গটো নেদেখা হৈ যায়। দুৰ্গটোলৈ যোৱা বহুতো পথ থকা যেন লাগে যদিও কোনটো পথেৰে গ'লে সঠিক স্থান পাব, সেয়া সহজে ক'ব পৰা নাযায়। পুৰণি সময়ত বহুতো লোক এনেকুৱা সমস্যাৰ সন্মুখীন হৈছিল। ই প্ৰকৃততে দুৰ্গটোৰ এটা সুৰক্ষা ব্যৱস্থা।

১৩৪৭ খৃষ্টাব্দত মহম্মদ টোগলকৰ সৈন্যই দখল কৰালৈকে ঘৰ কুন্দৰ খাঙৰ ৰজাসকলৰ ৰাজধানী আছিল। পাছলৈ ইয়াক মোগলৰ সামন্ত বুণ্ডেলসকলে অধিকাৰ কৰে।

ঘৰ কুন্দৰ দুৰ্গটোত ৫টা মহলা আছে। ইয়াৰে তিনিটা মাটিৰ ওপৰত আৰু দুটা মাটিৰ তলত আছে। দুৰ্গটোত পোহৰ, পানীৰ ব্যৱস্থা, ঘাঁহৰ বাবে ভঁৰাল আৰু প্ৰতিটো মহলাত শৌচালয় আদি ব্যৱস্থাৰ প্ৰতি গুৰুত্ব দিয়া হৈছিল। বুণ্ডেলখণ্ড শাসন কৰা সকলো ৰজা ধনী আছিল, সেয়ে স্থানীয় লোকসকলে বিশ্বাস কৰে যে, সোণ, ৰূপ আৰু বহু মূল্যবান সম্পদ এই দুৰ্গত আজিও আছে।

ঘৰ কুন্দৰ দুৰ্গটোৰ বাহিৰত ২০ ফুট ওখ আৰু ৮০ ফুট বহল এখন প্ৰবেশদ্বাৰ আছে। দুৰ্গটোৰ কোঠাবোৰত বহি থকা লোকসকলে বাহিৰৰ লোক বা দৰ্শনাৰ্থীক ভালদৰে দেখা পাইছিল, কিন্তু বাহিৰৰ পৰা ভিতৰত কোনো লোক থকা অনুমান কৰিব পৰা নগৈছিল।

ঘৰ কুন্দৰ দুৰ্গ চান্দেলা, খাং আৰু বুন্দেলসকলৰ স্থাপত্যৰ নিদৰ্শন। ঘৰ কুন্দৰ দুৰ্গ নিশ্চিতভাৱে ভ্ৰমণৰ যোগ্য। ❖

**টোকা : চান্দেলা বংশ :** নৱম শতিকাৰ পৰা দ্বাদশ শতিকালৈ চান্দেলাসকলে বুণ্ডেলখণ্ড অঞ্চলৰ কিছু অংশ শাসন কৰিছিল। সেই সময়ত চান্দেলাসকল মধ্য ভাৰতৰ এক শক্তিশালী বংশ আছিল।

**খংগাৰ বংশ :** চান্দেলা বংশৰ পতনৰ পাছত প্ৰাচীন ক্ষত্ৰিয় বংশ খঙাৰ সম্প্ৰদায়ে দ্বাদশ শতিকাৰ শেষৰ ফালৰ পৰা ১৪শ শতিকাৰ মাজভাগলৈ বুণ্ডেলখণ্ডৰ কিছু অংশত শাসন কৰিছিল।

**বুণ্ডেলখণ্ড :** বুণ্ডেলখণ্ড ক্ৰমে উত্তৰ প্ৰদেশৰ সাতখন জিলা জলাউন, ললিতপুৰ, কাঁঞ্জী, মথেবা, হামিৰপুৰ, বাণ্ডা, চিত্ৰকূট আৰু মধ্যপ্ৰদেশৰ নিবাৰী, দতিয়া, টিকামগড়, ছটাৰপুৰ, পান্না, দামোহ আৰু সাগৰ আদি জিলা সামৰি লোৱা এটা অঞ্চল।

# শিক্ষাৰ্থীয়ে আঁকা ছবি আৰু তোলা আলোকচিত্ৰ


হিমিকা দত্ত, সপ্তম খ


পৰিস্মিতা দেৱী, নৱম খ


সুমন খনিকৰ, ষষ্ঠ গ


ধান্যাতা তামুলী, চতুৰ্থ গ


মৌচম দাস, নৱম গ


পূবাঞ্চী দাস , পঞ্চম ঘ


গীতাৰ্থ শৰ্মা, দশম ক


সর্পগন্ধা


বক ফুল


পেনিচিলিন


অশ্বক্রান্ত দেবালয়